# বৰথল যুটীয়া বন পৰিচালনা সমিতি

ইনাৰ লাইন বন সংমণ্ডল,

দক্ষিণ অসম চক্ৰ

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

**প্ৰস্তুতকৰ্তা**

**বৰথল যুটীয়া বন পৰিচালনা সমিতি** (JFMC)

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]

Approved

7/2016

Divisional Forest Office
Hailakandi Division
Hailakandi

জুলাই, ২০১৬

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত নাম | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিষ্টেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্স ডেভেলপমেন্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ বিষয়ক অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্চিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>(কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ) |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক (ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | মাণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট কমিটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কৰ্মসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন সংৰক্ষণ আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চ বাৰ্ষিক পৰিকল্পনা (ফাইভ ইয়াৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | গ্ৰিণ হাউছ গেছ |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গৱৰ্নমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই ই চি (IEC) | তথ্য, শিক্ষা আৰু যোগাযোগ (ইনফৰমেচন এডুকেচন এণ্ড কমিউনিকেচন) |

| | |
|---|---|
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিঅ’ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যুটীয়া বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এম ডি আৰ (MDR) | মুখ্য জিলা পথসমূহ ( মেজৰ ডিষ্ট্ৰিক্ট ৰোডছ) |
| এম জি এনৰেগা (MGNREGS) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (মহাত্মা গান্ধী নেচনেল ৰুৰেল এমপ্লয়মেণ্ট গেৰাণ্টি স্কিম) |
| এম অ’ ই এফ চি চি (MoEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় (মিনিষ্ট্ৰী অব্ এনভায়ৰণমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্ট প্ৰডিউচ) |
| অ’ বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| অ’ ডি আৰ (ODR) | অন্যান্য জিলা পথসমূহ (আদাৰ ডিষ্ট্ৰিক্ট ৰোড্‌ছ) |
| পি চি চি এফ (PCCF) | প্ৰধান মুখ্য বন সংৰক্ষক (প্ৰিন্সিপাল চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প পৰ্যবেক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পাৰ্টিচিপেট’ৰী ৰুৰল এপ্ৰাইজেল) |
| আৰ ই ডি ডি + (REDD+) | ৰিডিউচিং এমিচন ফ্ৰম ডি-ফৰেষ্টেচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেচন প্লাচ |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ অ’ (RO) | বনাঞ্চলিক বিষয়া ( ৰেঞ্জ অফিচাৰ) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | স্থিতিশীল উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেন্ট গ’ল্‌ছ) |
| এছ এল এফ (SLF) | নিৰ্বাহক্ষম জীৱিকা ৰূপৰেখা (ছাছটেইনেবল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ পি পি (Spp) | স্পেছিছ |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ ডব্লিউ অ’ টি (SWOT) | সক্ষমতা, দুৰ্বলতা, সুবিধা আৰু বিপদ (ষ্ট্ৰেংথ, উইক্‌নেছ, অপৰ্চুনিটী এণ্ড থ্ৰেট) |
| টি ভি (TV) | ট্যাংগা গাঁও (ট্যাংগা ভিলেজ) |
| টিভি (TV) | দূৰদৰ্শন ( টেলিভিছন) |
| ডব্লিউ এল এছ (WLS) | বন্যপ্ৰাণী অভয়াৰণ্য (ৱাইল্ড লাইফ ছেংচুৰী) |
| ডব্লিউ পি এ (WPA) | বন্যপ্ৰাণী (সংৰক্ষণ) আইন, ১৯৭২ (ৱাইল্ডলাইফ (প্ৰটেকশন) এক্ট- ১৯৭২) |
| ডব্লিউ পি চি (WPC) | কৰ্ম পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# উদ্ভিদ, গুল্মজাতীয় উদ্ভিদ, ভেষজ উদ্ভিদ আৰু অন্যান্য উদ্ভিদৰ স্থানীয় আৰু বৈজ্ঞানিক নামৰ তালিকা

| ক্রমিক নং | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| ১ | আৰাল | ভিটে' স্পেসিস |
| ২ | বাদাম | স্ট্যাকুলিয়া আলাটা |
| ৩ | বহড়া | টার্মিন্যাল্লি সেবেল্লিৰিকা |
| ৪ | বজ্রং | জান্থয়লাম বাড্রেঙ্গা |
| ৫ | বনক | শিমা খাসিয়ানা |
| ৬ | বন আম | ম্যাঙ্গি ফেৰাসিলার্চা |
| ৭ | বেলফাই/জলফাই | এলকোকাপ্রুয়ে গ্লোৰিবুন্ডাম |
| ৮ | বান্দৰ ফেলা | ডাইসোক্সিলাম্বিনেক্টি ফেৰাম |
| ৯ | সোনাঝুৰি/বান্দৰলাঠি | লাসিয়া ফিস্টুলা |
| ১০ | বন শিমলু | ব্যাম্বোক্সিগনোক |
| ১১ | বৰুণ | ক্র্যাটায়েৰাৰেলিজিওসা |
| ১২ | বেলা | স্যাপিয়াম বাক্কাটাম |
| ১৩ | ভাদ্রুক | ভিটেক্স পিউবেসেন্স |
| ১৪ | ভাতকুৰ | ভিটেক্স হেটেৰোফিলা |
| ১৫ | ভোলা | মন্স ল্যাক্রিগাটা |
| ১৬ | ভূবি | বাক্কাউৰেওস্যাপিডাৰ |
| ১৭ | ভুৰি | ট্রেউই নিউডিফ্লোৰা |
| ১৮ | বনচোম | ফোকবে গোয়ান্টজিবেন্সিস্ |
| ১৯ | বুভা | আইলানথাস গ্র্যান্ডিস |
| ২০ | ছাতিম | আলস্টোনিয়াস্কলাৰিস |
| ২১ | কালিগড়া | ব্যাম্বু সাভালগাৰস্ |
| ২২ | কৰাইল | ডেন্ড্রকালামুস্ট্রিক্টাস |
| ২৩ | খাং | ডেন্ড্রো কালামুসলোঙ্গিসপ্যাথাস |
| ২৪ | স্প্রিং ভাচ্ | ভিসিয়াস্যাটিভা |
| ২৫ | ছান হেম্প | ক্রোলাটাৰিয়াজুন্সিয়া |
| ২৬ | আনচু উদ্ভিদ | মোৰিন্ডা আঙ্গুস্টিফোলিয়া |
| ২৭ | আনচু উদ্ভিদ | মোৰিন্ড্রাটিংক্টোৰিয়া |
| ২৮ | মদাৰ | ক্যালোট্রোপিস জাইগেন্টিয়া |
| ২৯ | স্বৰ্ণলতা | ট্র্যাক্চেলোস্পাৰ মামফ্র্যাগ্রান্স |

| | | |
|---|---|---|
| ৩০ | আতলাৰি উদ্ভিদ | পলিগোনুস্বাবার্বাটাম |
| ৩১ | লজ্জাৱতী | মিমোসা পুডিকা |
| ৩২ | আবু টেঙা | অ্যান্টিডেস্মাডিয়াড্রাম |
| ৩৩ | আমচিৰিকা | আকাসিয়া কন্সিনা |
| ৩৪ | সৰ্পগন্ধা | ৰাউউলফিয়া সার্পেন্টাইন |
| ৩৫ | আলোখনি | কাশিয়া টোৰা |
| ৩৬ | নল-খাগৰি (ইকৰা) | ফ্ৰাগমাইটেসকার্কা |
| ৩৭ | চালমোগ্ৰা | হাইডনোকার্পাসকুর্জিল |
| ৩৮ | হৰতকি | টার্মিনেলিয়াচেবুলা |
| ৩৯ | গমাৰি | গ্মেলিনা আর্বোৰিয়া |
| ৪০ | কদম | অ্যানথ্ৰোকফ্যালাস কদম্ব |
| ৪১ | জাম | ইঙ্গেনিজাম্বোস |
| ৪২ | নাগেশ্বৰ | মেসুয়াফেৰিয়া |
| ৪৩ | চাম | আৰ্টোকার্পাস চাপ্লাসা |
| ৪৪ | ঘোঁড়ানিম | মেলিয়া আজেডাৰাস |
| ৪৫ | ৰেইন ট্ৰি | সামানিয়াসামান |
| ৪৬ | পিং | সাইলোমেট্ৰা পোলিয়াড্ৰা |
| ৪৭ | ছাতিম | আলস্টোনিয়া স্কলাৰিস |
| ৪৮ | কঁশ | সাচাম প্ৰসেৰাম |
| ৪৯ | খাগৰি | সাচোমস্পন্টাৰকাম |
| ৫০ | ইকৰা | এবিয়ানথাস ৰাভেনিয়াক |
| ৫১ | নল | ফ্ৰ্যাগমিটেস্কার্কা |
| ৫২ | ৰেমা | থাইসানোলিয়ানা ম্যাক্সিমা |
| ৫৩ | খড় | ইম্পেৰেটা আৰুনডিনাসিয়া |

# বৰথল যুটীয়া বন পৰিচালনা সমিতি
# হাইলাকান্দি বন সংমণ্ডল, দক্ষিণ অসম চক্র

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| | **অধ্যায় - এক** | |
| ১ | পৰিচয় | ৮ |
| ২ | এলেকাটোৰ সাধাৰণ বৰ্ণনা | ৯ |
| ৩ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা আৰু জে এফ এম চিৰ ৰূপৰেখা | ১৩ |
| ৪ | জীৱিকা সম্পদৰ ৰূপৰেখা আৰু স্পৰ্শকাতৰতা | ২০ |
| ৫ | সাম্প্ৰতিক পৰিকল্পনা আৰু কাৰ্যসূচী | ২২ |
| | **অধ্যায় -দুই** | |
| ৬ | ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য, সবলতা, দুৰ্বলতা, সুযোগ আৰু ভাবুকি আৰু দূৰত্ব বিশ্লেষণ | ২৭ |
| ৭ | গাঁও উন্নয়ন পৰিকল্পনা | ৩১ |
| ৮ | জীৱিকা উন্নয়ন পৰিকল্পনা | ৩৩ |
| ৯ | বনোন্নয়ন পৰিকল্পনা | ৩৬ |
| ১০ | প্ৰয়োগৰ কৌশল, সময়সীমা আৰু বাজেট | ৫২ |
| | **অধ্যায় -তিনি** | |
| | তালিকা, মানচিত্ৰ আৰু পৰিশিষ্ট | ৫৮ |

# বৰথল যুটীয়া বন পৰিচালনা সমিতি
# হাইলাকান্দি বন সংমণ্ডল, দক্ষিণ অসম চক্ৰ

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## অধ্যায় - ১

20/7/18

Divisional Forest Office
Hailakandi Divisi
Hailakan

## ১। পৰিচয়

### ১.১ : প্ৰকল্পৰ বিষয়ে ঃ

অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (এ পি এফ বি চি)ৰ লক্ষ্য হৈছে 'বহুমুখী আঁচনিৰ জৰিয়তে অসমৰ বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ দীৰ্ঘম্যাদী আঁচনি কাৰ্যক্ষম কৰা আৰু আঁচনিৰ লক্ষ্যস্থানসমূহত বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহক অন্তৰ্ভুক্ত কৰা, যাতে বনজ আৰু অনা-বনজ সম্পদসমূহৰ দীৰ্ঘম্যাদী ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱন নিৰ্বাহ প্ৰক্ৰিয়াক উদগনি জনাব পাৰি।' এই প্ৰকল্পৰ লক্ষ্যক এনেদৰে উল্লেখ কৰা হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত বনাঞ্চলৰ পৰিৱেশ ব্যৱস্থা পুনৰ আগৰ অৱস্থালৈ ঘূৰাই নিয়াৰ লগতে সম্প্ৰদায়সমূহৰ জীৱন ধাৰণ প্ৰক্ৰিয়া উন্নত কৰিব পৰা যায়, যাতে জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু দীৰ্ঘম্যাদী ব্যৱহাৰ নিশ্চিত হয়।' অসম চৰকাৰৰ সহযোগত এই প্ৰকল্পৰ বাবে পুঁজিৰ যোগান দৰিছে এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি) অৰ্থাৎ ফ্ৰান্স বিকাশ এজেন্সীয়ে। উল্লিখিত প্ৰকল্পৰ অধীনত পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনকে ধৰি সকলো কাম কৰিবলৈ অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প ছ'চাইটী (এ পি এফ বি চি ছ'চাইটী) বাধ্য।

### ১.২ ঃ ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন

বজাৰ সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি মূল্য সংযোজনেৰে জীৱন ধাৰণ প্ৰক্ৰিয়া প্ৰসাৰৰ বাবে এই প্ৰকল্পত ব্যৱসায়িক প্ৰচাৰ, উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন আৰু বজাৰ ব্যৱস্থাৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগ্ৰহী। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা চাপৰ ফলত এনে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। বৰ্তমানে উপলব্ধ বন আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু বজাৰ সেৱাসমূহৰ বজাৰৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল্য সংযোজনৰ অনুসন্ধান কৰাটো প্ৰয়োজনীয়। ইয়াৰ লগতে অবনজ নিৰ্ভৰশীল জীৱন ধাৰণ প্ৰক্ৰিয়া অনুসন্ধান কৰি সম্প্ৰদায়সমূহৰ সদস্যসকলক দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সফলতা বৃদ্ধি কৰা উচিত।

উক্ত প্ৰকল্পৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ আঁচনি ৰূপায়ণৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰেনিয়ৰশ্বিপ (আই আই ই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড ডেভেল'পমেণ্টৰে এক মহাজোঁট গঠন কৰা হৈছে। এই মহাজোঁটক ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধি (কনছালটিং ছাৰ্ভিচ ফৰ মাইক্ৰ' প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)ৰ বাবে গঠিত মহাজোঁট চমুকৈ কম্পেল' হিচাপে নামকৰণ কৰা হৈছে।

এই প্ৰকল্পৰ নিয়ম অনুসৰি ক্ষুদ্ৰ পৰিকল্পনাত 'বিভিন্ন গাঁৱত অভিযান আৰু বন উন্নয়ন, বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল লোকসকলক জীৱিকা সমৰ্থন আৰু লক্ষ্য অনুসৰি দীৰ্ঘম্যাদী বন ব্যৱস্থাপনা' অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত বন উন্নয়ন আৰু জীৱিকা বিকাশ উভয়ে অন্তৰ্ভুক্ত হৈ আছে।

### ১.৩ বৰথল জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা

অসমৰ হাইলাকান্দি জিলাৰ অন্তৰ্গত বৰথল জে এফ এম চিৰ বাবে প্ৰণয়ন কৰা ক্ষুদ্ৰ পৰিকল্পনাৰ তথ্য তলত উল্লেখ কৰা হ'ল। এই জে এফ এম চি হাইলাকান্দি বন সংমণ্ডলৰ দক্ষিণ অসম বন চক্ৰৰ অন্তৰ্গত। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়ৰ বিশদ বিৱৰণ দিয়া হ'ল।

## ২। এলেকাৰ সাধাৰণ বিৱৰণ

### ২.১ সাধাৰণ বিৱৰণ

হাইলাকান্দি বন সংমণ্ডল দক্ষিণ অসম চক্ৰৰ অন্তৰ্গত। এই বন সংমণ্ডলৰ সীমা হাইলাকান্দি জিলাৰ ভিতৰতেই আবদ্ধ। এই বন সংমণ্ডলৰ মুঠ ভৌগোলিক আয়তন ১৩২৭ বৰ্গকিঃমিঃ। হাইলাকান্দি জিলাত পথ আৰু ৰে'লৰে নেটৱৰ্ক যথেষ্ট উন্নত। জিলাৰ প্ৰৱেশ পথত আছে পাঁচগ্ৰাম। পাঁচগ্ৰাম হৈয়েই দেশৰ অন্যান্য অংশৰ সৈতে এই জিলাৰ যোগাযোগ। পাঁচগ্ৰাম হৈ পাৰ হৈছে ৫৪ নং ৰাষ্ট্ৰীয় ঘাইপথ। পাঁচগ্ৰামৰ মাজেদিয়েই বদৰপুৰ জংচন (কৰিমগঞ্জৰ অন্তৰ্গত) আৰু শিলচৰ জংচনৰ (কাছাৰ জিলাৰ অন্তৰ্গত) সৈত এই জিলাৰ ৰে'ল যোগাযোগ সংযুক্ত হৈছে। ৰে'লপথৰ এটি শাখা পাঁচগ্ৰামৰ পৰা ভৈৰবীলৈ (মিজোৰাম আন্তঃৰাজ্যিক সীমান্ত) গৈছে, যিটোৱে জিলাখনক দুটা ভাগত বিভক্ত কৰিছে। জিলাৰ পশ্চিম সীমান্ত উত্তৰৰ পৰা দক্ষিণলৈ লুচাই পাহাৰ পৰ্যন্ত বিস্তৃত। গুটগুটি জুৰিৰ পৰা ছাতাচুড়া পৰ্যন্ত বিস্তৃত হৈ আছে পাহাৰৰ ঢাল। এই পাহাৰ শ্ৰেণীৰ উচ্চতা ৬০০ মিটাৰ। ছাতাচুড়াৰ পৰা পাহাৰৰ ঢাল ক্ৰমে উত্তৰ দিশে নিম্ন এলাকালৈ নামি আহিছে আৰু শেষ হৈছে বদৰপুৰৰ নিকটৱৰ্তী এলেকাত। পূব দিশত লুচাই পাহাৰ হাইলাকান্দি, কাছাৰ আৰু মিজোৰাম সীমান্তত আহি মিলিছে। তাৰ পৰা অনুচ্চ টিলা তললৈ ১০০ মিটাৰ এলেকা পৰ্যন্ত সিচঁৰতি হৈ আছে আৰু এইসমূহ টিলাৰ বেছিভাগেই চাহ বাগান এলেকাৰ ভিতৰত পৰিছ। লুচাই পাহাৰৰ পৰা নামি আহিছে ধলেশ্বৰী নদী। ঝালনাছড়া, পালাইছড়া, কুকিছড়া, ৰূপাছড়াৰ দৰে কিছু ডাঙৰ ডাঙৰ জুৰিও উত্তৰ দিশে প্ৰৱাহিত হৈ এই নদীতে আহি মিলিছে। তাৰপিছত ৰূপাছড়াৰ কাষত মানুহৰ দ্বাৰা খন্দা কাটাখাল নামৰ খালৰ দ্বাৰা বিভাজিত হৈছে।

জিলাৰ সমতল এলেকাত যথেষ্ট মৃত নদী আৰু জুৰি আছে। এইসমূহৰ অধিকাংশই বাৰিষা পানীৰে পূৰ্ণ হৈ মূল নদীৰ সৈতে সংযুক্ত হৈ যায়। ইয়াৰ উপৰি এই জিলাত আছে অনেক বিল আৰু ডাঙৰ ডাঙৰ জলাশয়। এইসমূহৰ বেছিভাগেই আছে উত্তৰ দিশে ২৪°৩০/ অক্ষাংশত। ইয়াৰ সমান্তৰালভাৱে অৰ্থাৎ দক্ষিণ দিশে ভৌগোলিক এলেকা ক্ৰমশঃ পাৰ্বত্য এলেকাত পৰিণত হৈ ছাতাচুড়াৰ ঢালত আহি মিলিছে।

### ২.২ অৱস্থিতি

সমগ্ৰ সংমণ্ডলটো ৯২°২৫/ পূব দ্ৰাঘিমাংশ আৰু ২৪°৫৩/ উত্তৰ অক্ষাংশত অৱস্থিত আৰু উচ্চতা ২১ মিটাৰ (৬৮.৮ ফুট)। উত্তৰ আৰু পূব সীমান্তত আছে কাছাৰ জিলা আৰু পশ্চিমে কৰিমগঞ্জ জিলা। দক্ষিণে আছে মিজোৰামৰ সৈতে আন্তঃৰাজ্যিক সীমান্ত। জিলাৰ সদৰ হাইলাকান্দি আৰু তাতেই আছে বন সংমণ্ডল কাৰ্যালয়। হাইলাকান্দিৰ উপৰি অন্যান্য প্ৰধান চহৰসমূহ হ'ল, পাঁচগ্ৰাম, লালাবজাৰ, কাটলিছড়া, কুকিছড়া আৰু ঘাৰমুৰা বজাৰ। পাঁচগ্ৰাম হ'ল ঔদ্যোগিক চহৰ, য'ত আছে কাছাৰ কাগজ কল (ভাৰত চৰকাৰৰ অধীনস্থ হিন্দুস্তান পেপাৰ কৰ্প'ৰেচন লিমিটেডৰ এটি গোট)।

### ২.৩ মাটি

জিলাৰ মধ্যাঞ্চল সমভূমি হ'লেও পূব আৰু পশ্চিম প্ৰান্তে বহু অনুচ্চ টিলা সিঁচৰতি হৈ আছে আৰু দক্ষিণ সীমান্তত আছে উচ্চ পাহাৰ শ্ৰেণী। সমগ্ৰ বৰাক উপত্যকাৰ পৰিপ্ৰেক্ষিতত লক্ষ্য কৰিলে দেখা যায় যে হাইলাকান্দি জিলাত উত্তৰৰ পৰা দক্ষিণলৈ কেইবাটাও ভূতাত্ত্বিক গাঁথনি দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ হ'ল সুৰমা উপত্যকাৰ অংশটো উত্তৰ-দক্ষিণে ঢৌৰ দৰে একা-বেঁকাভাৱে সংকুচিত। ইয়াৰ ফলতেই ইয়াত উপত্যকাৰ সমতল আৰু পাহাৰ শ্ৰেণীৰ অৱস্থান দেখা যায়। উপত্যকাটোৰ সকলোতকৈ প্ৰাচীন শিলাস্তৰ হৈছে বড়াইল পাহাৰৰ বালিশিল। সুৰমা উপত্যকাৰ নিম্নভাগ ঘন সংবদ্ধ পাহাৰ। এই পাহাসমূহ ঘন জংঘলেৰে আবৃত আৰু

চাহখেতিৰ অনুপযোগী। ভূপৃষ্ঠৰ স্তৰসমূহ কোমল বালিশিল আৰু নৰম শ্লেটজাতীয় শিলেৰে গঠিত। সুৰমা শ্ৰেণীৰ উজনি অংশৰ ভূস্তৰ নৰম বালিমিশ্ৰিত শ্লেটজাতীয় শিল আৰু মিশ্ৰিত বালিশিলেৰে গঠিত। এই ভূস্তৰত টিলা শ্ৰেণীৰ লগেলগে গঢ়ি উঠিছে জলাহভূমি এলেকা। পাহাৰ শ্ৰেণীত টিপম শ্ৰেণীৰ শিলাও দেখা যায়। এই ভূস্তৰৰ শিলা অপেক্ষাকৃতভাৱে কঠিন। সুৰমা পাহাৰ শ্ৰেণীৰ ওপৰ অংশত অথবা টিপম স্তৰৰ ভূভাগতেই অধিকাংশ চাহ বাগান আছে। উপত্যকাটোৰ ভূতাত্ত্বিক গঠন লক্ষ্য কৰিলে দেখা যায়, ভূমিক্ষয় ৰোধ কৰিবলৈ হ'লে ইয়াত মাটি আৰু পানী সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা খুবেই জৰুৰী। এলেকাৰ শম্বুক গতিৰ ভূতাত্ত্বিক ভূমিক্ষয় প্ৰক্ৰিয়াক মানুহে ত্বৰান্বিত কৰি তুলিছে। পি ইভান্সে অঞ্চলটোৰ ভূতাত্ত্বিক বিষয়টোৰ ওপৰত এই শতিকাৰ আৰম্ভণিতে বিশদভাৱে অধ্যয়ন কৰিছে। তেওঁ কয় যে এই এলেকাসমূহৰ ভূমিক্ষয় প্ৰক্ৰিয়া ভূতাত্ত্বিকভাৱে এতিয়াও ক্ৰিয়াশীল আৰু পৰিস্থিতি উদ্বেগজনক।

## ২.৪ জলবায়ু

এই বিভাগৰ জলবায়ু উপগ্ৰীষ্মমণ্ডলীয় মৌচুমী নিৰ্ভৰ। বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ ২৫০০ মিঃমিঃৰ পৰা ৩৩০০ মিঃমিঃ পৰ্যন্ত। এলেকাৰ বাৰ্ষিক গড় বৃষ্টিপাতৰ পৰিমাণ ৩০০০ মিঃমিঃ আৰু এপ্ৰিল/মে'ৰ পৰা ছেপ্টেম্বৰ/অক্টোবৰৰ ভিতৰতেই ৮০-৮৫% বৃষ্টিপাত হয়। ডিচেম্বৰ আৰু জানুৱাৰী মাহ সাধাৰণতে সবাতোকৈ শুষ্ক। গ্ৰীষ্মকালত সৰ্বাধিক গড় তাপমাত্ৰা ৩৫° চেলচিয়াছ আৰু সৰ্বনিম্ন গড় তাপমাত্ৰা ২৬° চেলচিয়াছ। শীতকালত সৰ্বাধিক গড় তাপমাত্ৰা ২৫° চেলচিয়াছ আৰু সৰ্বনিম্ন গড় তাপমাত্ৰা ১১° চেলচিয়াছ। বৰ্ষাকালত এই জিলা বানত প্লাৱিত হয়।

## ২.৫ পানী

লঙ্গাইৰ বহুসংখ্যক জুৰি আৰু চিংলা উপনৈসমূহৰ উপৰি বৰাকৰ উত্তৰৰ বহু জুৰি হ'ল খোৱাপানীৰ উৎস। গাঁওবাসীয়ে নিজৰা, কুঁৱা আৰু দমকলৰ পৰাই খোৱাপানী সংগ্ৰহ কৰে। ভূগৰ্ভৰ জলস্তৰ সাধাৰণতে ওপৰতেই আৰু সমতল এলেকাত ২-৩ মিটাৰ খনন কৰিলেই পানী পোৱা যায়। শীতকালি ভূগৰ্ভৰ জলস্তৰ ৬-১০ মিটাৰ তললৈ নামি যায়। পাহাৰৰ ঢাল এলেকাত বন ধ্বংসৰ ফলত পানীৰ সৈতে প্ৰচুৰ পৰিমাণৰ বালিমাটি, বালি আৰু অন্যান্য পদাৰ্থ নামি আহে। শীতকালি বেছিভাগ জুৰিয়ে শুকাই যায়।

## ২.৬ পৰিৱেশতন্ত্ৰ আৰু জৈৱ-বৈচিত্ৰ্য

এই বন সংমণ্ডলৰ প্ৰধান বনজ সম্পদসমূহ হ'ল, কাঠ, বাঁহ, বেত, শিল, বালিৰে সমৃদ্ধ এই বনাঞ্চলৰ মূল্যৱান গছসমূহ হ'ল, চেগুণ, সুন্দি, গমাৰি ইত্যাদি। এই বন সংমণ্ডলৰ পৰা বিপুল পৰিমাণৰ বাঁহ সংগ্ৰহ কৰি পাৰ্শ্বৱৰ্তী জিলাৰ কাগজকললৈ যোগান ধৰা হয়। ইয়াত বনাঞ্চলৰ স্থানীয় বৈশিষ্ট্যৰ বিভিন্নতা চকুত পৰে। বন সংমণ্ডলৰ পাহাৰ এলেকাৰ বনাঞ্চলসমূহত পোৱা যায় গমাৰি, চাম, গুৰ্জন, মৰিচাসুন্দি, তিল সুন্দি, হেৰোহিতা, পমা, গাণ্ড্ৰই, কুৰ্টা, কৰৈ ইত্যাদি। নামনিৰ পাহাৰৰ বনসমূহত তুলা, কদম, জাম, আৱাল, কুৰ্টা, নাহৰ, চালতে, বনক, হৰতকি, পিং ইত্যাদি প্ৰচুৰ পৰিমাণে পোৱা যায়। এই পৰিৱেশতান্ত্ৰিক অঞ্চলৰ য'তে পাৰ্বত্য বনভূমি আহি সমতল বনভূমিত মিলিছে, সেই এলেকাত জলাহভূমিৰ বনভূমিও আছে। এই বনভূমিত তৰা, ইকৰা, নল, খাগৰি আদিৰ লগতে আছে জাৰুল, পাৰলি ইত্যাদি প্ৰজাতিৰ উদ্ভিদো। এই বনাঞ্চলত প্ৰায় ৯ প্ৰজাতিৰ বাঁহ আছে। কোনো কোনো এলেকা/পৰিত্যক্ত ঝুমখেতিৰ এলেকা সম্পূৰ্ণভাৱে বাঁহৰ জোপোহালৈ পৰিণত হৈছে। ইয়াত প্ৰধান প্ৰধান প্ৰজাতিৰ বেত পোৱা যায়। এইসমূহ হ'ল, গোল্লা, মোনা, জাল্লিয়াদ আৰু সুন্দি। বেতৰ এলেকা অত্যন্ত নগণ্য আৰু এইসমূহ অত্যন্ত দূৰৱৰ্তী এলেকাত থকাৰ বাবে বাণিজ্যিক উদ্দেশ্যত বেত ব্যৱহাৰৰ সুবিধা নাই। অতীতত বেত ব্যৱস্থাপনাৰ বিষয়ে বিশদভাৱে কিছু পৰামৰ্শ দিয়া হ'লেও বেত সংগ্ৰহ আৰু ব্যৱসায়

প্ৰধানতঃ বেআইনী আৰু নিয়ন্ত্ৰণহীনতাৰে গুচি গৈছে। যদি বেত সংৰক্ষণৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয় তেতিয়াহ'লে এই বনাঞ্চলসমূহত বেত সম্পূৰ্ণভাৱে বিলুপ্ত হৈ যাব।

উদ্ভিদ বৈচিত্ৰ্যৰ লগে লগে এই বন সংমণ্ডল বহু প্ৰজাতিৰ বন্যপ্ৰাণীৰো নিবাস। এই প্ৰাণীসমূহৰ ভিতৰত আছে ফল বাদুলী, বাঘ, হাতী, ছান বিয়াৰ প্ৰজাতিৰ ভালুক, জিয়ান্ট স্কোৱাইৰেল, হগ ডিয়াৰ (হৰিণা), শিয়াল, বনগাহৰি, নদী কাছ আৰু অন্যান্য প্ৰজাতিৰ কাছ, ভাৰতীয় প্ৰজাতিৰ অজগৰ, বেম্ব' ভাইপাৰ (গোম সাপ), ফেঁটীসাপ ইত্যাদি। হাইলাকান্দি বন সংমণ্ডলৰ অধীনত আছে ২খন সংৰক্ষিত বনাঞ্চল। এইকেইখন হ'ল, ইনাৰ লাইন সংৰক্ষিত বনাঞ্চল আৰু কাটাখাল সংৰক্ষিত বনাঞ্চল। এই বনাঞ্চলৰ মুঠ আয়তন ৭৪১,১৫১ বৰ্গকিঃমিঃ।

**তালিকা- ১ ঃ হাইলাকান্দি বন সংমণ্ডলৰ অধীনস্থ সংৰক্ষিত বনাঞ্চলৰ তালিকা**

| সংমণ্ডলৰ নাম | সংৰক্ষিত বনাঞ্চলৰ নাম | মুঠ নথিভুক্ত এলেকা (হেক্টৰ) |
|---|---|---|
| হাইলাকান্দি | ইনাৰলাইন | ৩৯৮৪৯.৪৫ |
| | কাটাখাল | ১৩৯৮৬.২৯ |
| | **মুঠ** | ৫৩৮৩৫.৭৪ |

২.৭ **বনাঞ্চলৰ প্ৰকাৰ ঃ** এই সংৰক্ষিত বনাঞ্চলত নিম্নোক্ত দুই ধৰণৰ বনভূমি আছে ঃ

১। কাছাৰ গ্ৰীষ্মমণ্ডলীয় চিৰহৰিৎ বনাঞ্চল

২। কাছাৰ গ্ৰীষ্মমণ্ডলীয় অৰ্ধ-চিৰহৰিৎ বনাঞ্চল

সংমণ্ডলৰ উত্তৰ আৰু পূব দিশৰ অংশত আছে কাছাৰ গ্ৰীষ্মমণ্ডলীয় চিৰহৰিৎ বনাঞ্চল। ইয়াৰ ঢাল এলেকা থিয় আৰু কৃষিৰ অনুপযোগী। তাৰ উপৰি এই এলেকা শিলাময় আৰু ছায়াময় উপত্যকা। এই বনাঞ্চলৰ বেছিভাগ এলেকা গঢ়ি উঠিছে পাহাৰৰ ঢালৰ নিম্নভাগত। এই বনভূমি দুটা পৃথক বৈশিষ্ট্য যথাক্ৰমে ডিপ্টেৰোকাৰ্পাস্টাৰ্বিনেটাস আৰু পালাকুইউস্পেলিয়ানথাম বৰ্গৰ উদ্ভিদ প্ৰজাতিসমূহৰ দ্বাৰা গঠিত। কিন্তু ব্যাপক ঝুমখেতিৰ কাৰণে এই বনাঞ্চল দ্ৰুতভাৱে বাঁহৰ জোপোহা বা ক্ষণস্থায়ী উদ্ভিদৰ বনভূমিত পৰিণত হৈছে আৰু এক ক্ষুদ্ৰ এলেকাত সীমাবদ্ধ হৈ পৰিছে।

## ২.৮ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত নামি অহা বিপদ

* ব্যাপক হাৰত কাঠখৰি আৰু নিম্ন উৎপাদিত বনজ উৎপাদন সংগ্ৰহৰ লগে লগে বনাঞ্চলত পশুচাৰণৰ ফলত বনাঞ্চলৰ ওপৰত মানুহৰ চাপ বৰ্তমান বাঢ়ি গৈছে। ইয়াৰ ফলত বহু প্ৰজাতিৰ বসতিস্থানৰ পৰিৱৰ্তন ঘটিছে। অকৰ্তৃত্বশীলভাৱে মানুহৰ দ্বাৰা দ্ৰুত হাৰত বন ধ্বংস আৰু বসতি স্থাপনৰ বিষয়টো বন বিভাগে লক্ষ্য কৰিছে। উচ্চ এলেকাসমূহত ঝুমখেতি, সমভূমিত কৃষিকাৰ্য, পাণ ঝুম আৰু বেআইনীভাৱে গছকটাও বন বিভাগৰ দৃষ্টিগোচৰ হৈছে। ইয়াৰ ফলত বনাঞ্চলত বন প্ৰজাতিৰ সংখ্যাগত সমৃদ্ধি, বনভূমিৰ বিন্যাস আৰু উৎপাদনশীলতাৰ ক্ষেত্ৰত ব্যাপক স্থায়ী আৰু অস্থায়ী পৰিৱৰ্তন ঘটিছে।

* অকৰ্তৃত্বশীলভাৱে ভাৰাতীয়া আৰু 'আধিয়াৰ' ব্যৱস্থাৰ বিৰুদ্ধে উপযুক্ত নিৰাময়মূলক ব্যৱস্থা গ্ৰহণ

নকৰাত সংৰক্ষিত বনাঞ্চল ধীৰে ধীৰে মানুহেৰে পৰিপূৰ্ণ হোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। লক্ষণীয় বিষয় হ'ল যে স্বীকৃত গাঁওবাসীয়ে নিজেই বেদখলৰ কেন্দ্ৰত পৰিণত হৈছে। সময় যিমানে আগবাঢ়িছে, এই পৰয়ালসমূহৰ আকাৰো সিমানে বাঢ়ি গৈছে। পূৰ্বতে এইসকল লোকে অতিৰিক্ত মাটিৰ বাবে অনুমতি লৈছিল আৰু বন বিভাগে বিভিন্ন আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি যথাসময়ত অতিৰিক্ত মাটি ব্যৱহাৰ কৰাৰ আবেদন মঞ্জুৰ কৰিছিল। বনাঞ্চল (সংৰক্ষণ) আইন, ১৯৮০ বলৱৎ হোৱাৰ পৰা এই নিয়ম ব্যাহত হয়। তেতিয়াৰ পৰাইগাঁওবাসীয়ে এটাৰ পিছত আন এটা টিলা দখল কৰি গৈছে আৰু অধিকভাৱে কৃষিভূমি বেদখল কৰি গৈছে।

* **ৰিয়াং শৰণাৰ্থীৰ সমস্যা ঃ** হাইলাকান্দিৰ দক্ষিণে মিজোৰাম ৰাজ্য। এই ৰাজ্যৰ জনসাধাৰণ প্ৰধানতঃ খ্ৰীষ্টান। এক শতাব্দী আগে এই ৰাজ্যৰ অধিবাসীসকলৰ গৰিষ্ঠ অংশই খ্ৰীষ্টান ধৰ্মত দীক্ষিত হয়। এই ধৰ্মান্তৰকৰণৰ ফলত এই অঞ্চলত এক নতুন সামাজিক সংঘাত মূৰ দাঙি উঠে। অৰ্থাৎ বিভিন্ন সামাজিক গোষ্ঠীসমূহৰ মাজত, বিশেষকৈ খ্ৰীষ্টান উপজাতি আৰু অ-খ্ৰীষ্টান হিন্দু উপজাতিসমূহৰ মাজত সামাজিক উত্তেজনা দেখা দিয়ে। অতীতত পি এন ভট্টাচাৰ্যই এই পৰিকল্পনাত এই বনৰ সংঘাতৰ কথা উল্লেখ কৰিছিল। ৰিয়াং আৰু মিজো সম্প্ৰদায়ে পূৰ্বেও সৰু-ডাঙৰ সংঘাতত লিপ্ত হৈছিল।

* ১৯৯৭ চনৰ ডিচেম্বৰৰ সংঘৰ্ষৰ সময়ত প্ৰায় ৬৬টা (প্ৰত্যক্ষদৰ্শীৰ মতে এই সংখ্যা দুশ) ৰিয়াং শৰণাৰ্থী পৰিয়াল ইনাৰ লাইন সংৰক্ষিত বনাঞ্চলৰ মুকাম আৰু ভৈৰৱী ব্লকত আহি আশ্ৰয় লয়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে এই সংৰক্ষিত বনাঞ্চলত আগৰে পৰাই যথেষ্টসংখ্যক গৃহহীন লোকে আশ্ৰয় লৈছিল। মিজোৰাম সীমান্তৰ সিপাৰৰ পৰা যদি নিৰন্তৰ অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা নহয় তেতিয়াহ'লে নিকট ভৱিষ্যতে সমগ্ৰ মুকাম আৰু ভৈৰৱী ব্লক বেদখলকাৰীসকলৰ দখললৈ চল যাব। এই অঞ্চলত বন বিভাগে নিজৰ উপস্থিতি প্ৰকাশত ব্যৰ্থ হৈছে। যথাসম্ভৱ সোনকালে শৰণাৰ্থীসকলক তেওঁলোকৰ আগৰ ঠাইলৈ ঘূৰাই পঠাব লাগিব (ডঃ ডব্লিউ পি ১৯৯৯-২০১০)। দ্ৰুতহাৰত নিশ্চিহ্ন হোৱাৰ পথত উদ্ভিদ আৰু বন্যপ্ৰাণীৰ বহু প্ৰজাতি। এইসমূহক ৰক্ষা কৰাৰ বাবে যথোপযুক্ত সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ ৰণকৌশল গ্ৰহণ কৰা জৰুৰী। সাম্প্ৰতিক দিনসমূহত গ্ৰীষ্মমণ্ডলীয় বনাঞ্চলসমূহ প্ৰাকৃতিক তথা মানুহৰ তৰফৰ পৰা অহা গুৰুতৰ ভাবুকিৰ সন্মুখীন হৈছে। ইয়াৰ পৰিণামস্বৰূপে যথেষ্টসংখ্যক প্ৰজাতি বিলুপ্ত হোৱাৰ বিপদে দেখা দিছে। ফলত বৃক্ষ বৈচিত্ৰ্য সংৰক্ষণৰ বিষয়টোক অগ্ৰাধিকাৰ দিয়া অনিবাৰ্য হৈ পৰিছে।

## ৩। গাঁৱৰ আৰ্থসামাজিক ৰূপৰেখা আৰু জে এফ এম চিৰ পৰিচয়

### ৩.১ মূল তথ্য

বৰথল জে এফ এম চি লালা ৰাজহ চক্ৰৰ অন্তৰ্গত। ই এক বনগাঁও আৰু হাইলাকান্দি জিলাত অৱস্থিত। জে এফ এম চিটো ২০০৫ চনৰ জুলাই মাহত (পৰিশিষ্ট-৩ৰ পঞ্জীয়ন-পত্ৰ মতে) হাইলাকান্দি বন সংমণ্ডলৰ সাংমণ্ডলিক বন বিষয়া তথা মুখ্য কাৰ্যবাহী বিষয়াৰ কাৰ্যালয় প্ৰশাসনৰ অধীনত পঞ্জীয়ন আৰু ০৬-০৬-২০১৫ চনত নৱীকৰণ কৰা হয়।

**তালিকা- ক ঃ জে এফ এম চিৰ মূল তথ্য**

| ক্ৰমিক নং | বিষয় | মূল তথ্য |
|---|---|---|
| ১ | জে এফ এম চিৰ নাম | বৰথল |
| ২ | বনগাঁৱৰ নাম | বৰথল |
| ৩ | ৰাজহ চক্ৰ | লালা |
| ৪ | ৰাজহ মহকুমাৰ নাম | লালা |
| ৫ | জিলাৰ নাম | হাইলাকান্দি |
| ৬ | বন সংমণ্ডল | হাইলাকান্দি বন সংমণ্ডল |
| ৭ | বন আঞ্চলিক | মাটিজুৰি |
| ৮ | বন লাট | বেলাইপুৰ |
| ৯ | গাঁও পঞ্চায়ত | ধলছেড়া-বেলাইপুৰ |
| ১০ | পঞ্জীয়ন নম্বৰ | SAC/HKD/Dated-06/06/2015 |
| ১১ | জে এফ এম চিৰ চাৰিসীমা | উত্তৰ ঃ বেলাইপুৰ বনগাঁও<br>দক্ষিণ ঃ বালিছেড়া<br>পশ্চিম ঃ ত্ৰিগঙ্গা<br>পূব ঃ লালপানি |

**উৎস ঃ** জে এফ এম চিৰ তথ্য আৰু ২০১৬ চনৰ জুন মাহত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ আলোচনা

### ৩.২ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ

নিম্নোক্ত তালিকাত জে এফ এম চিৰ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

**তালিকা - খ ঃ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ**

| নাম | বয়স | ঠিকনা | শিক্ষাগত অৰ্হতা | পদৱী |
|---|---|---|---|---|
| শ্ৰীমতী ৰুণু দাস | ৫২ | প্ৰযত্নে- প্ৰয়াত কোখিল দাস | নৱম শ্ৰেণী | সভাপতি |
| শ্ৰীখুল্লাকপ্পা সিন্‌হা | ৫৮ | প্ৰযত্নে- প্ৰয়াত কমলাকান্ত সিংহ | বি এ | সদস্য সচিব (Fr I) |
| হাণ্ডা কুৰ্মী | ৩৭ | প্ৰযত্নে- প্ৰয়াত কিৰ্লা কুৰ্মী | নৱম শ্ৰেণী | সদস্য |
| পুটুবালা দাস | ৪৫ | প্ৰযত্নে- সুকুন্দ্ৰ দাস | চতুৰ্থ শ্ৰেণী | সদস্য |
| শ্ৰী শ্ৰীনাথ বৰ্মন | ৬১ | প্ৰযত্নে- অসলিনি বৰ্মন | একাদশ শ্ৰেণী | সদস্য |
| শ্ৰী শিশিৰ দাস | ৬২ | প্ৰযত্নে- সুৰেন্দ্ৰ দাস | সপ্তম শ্ৰেণী | সদস্য |
| শ্ৰী ৰাজু কুৰ্মী | ২৫ | প্ৰযত্নে- বিদ্যাপতি কুৰ্মী | নৱম শ্ৰেণী | সদস্য |
| শান্তিৰাণী দাস লস্কৰ | ৪০ | প্ৰযত্নে- ৰঞ্জন দাস লস্কৰ | সপ্তম শ্ৰেণী | সদস্য |
| লিটিন দাস | ৩৭ | প্ৰযত্নে- উমা চন্দ্ৰ দাস লস্কৰ | নৱম শ্ৰেণী | সদস্য |
| শ্ৰী ৰাজেন দাস | ২৮ | প্ৰযত্নে- ৰুণু দাস | নৱম শ্ৰেণী | সদস্য |

**উৎস ঃ** জে এফ এম চি তথ্য

## ৩.৩ পৰিয়াল আৰু জনসংখ্যাৰ বিন্যাস

এই গাঁৱত আছে ২৫৪টা পৰিয়াল। ইয়াৰ ভিতৰত ২৪৪টা পৰিয়াল দাৰিদ্র্য সীমা ৰেখাৰ তলৰ (বি পি এল)।

**তালিকা- গ ঃ জে এফ এম চিৰ জনবিন্যাস**

**জনবিন্যাস**

| জাতি/সম্প্ৰদায় | পৰিয়াল | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|---|
| সাধাৰণ | ৫ | ৩০ | ২৫ | ৫৫ |
| অ' বি চি | ৯৮ | ৩১১ | ২৯০ | ৬০১ |
| অুসূচিত জাতি | ১৩৬ | ৪২৫ | ৪৪৭ | ৮৭২ |
| অনুসূচিত জনজাতি | ১৫ | ৩২ | ৩৮ | ৭০ |
| সংখ্যালঘু | ০ | ০ | ০ | ০ |
| অন্যান্য | ০ | ০ | ০ | ০ |
| **মুঠ** | ২৫৪ | ৭৯৮ | ৮০০ | ১৫৯৮ |

মুঠ জনসংখ্যা ১৫৯৮, ইয়াৰ ভিতৰত ৭৯৮জন পুৰুষ আৰু বাকী সদস্যসকল মহিলা। ইয়াৰে ভিতৰত ৮৭২গৰাকী অনসূচিত জাতি, ৭০গৰাকী অনুসূচিত জনজাতি, ৬০১গৰাকী অ' বি চি আৰু ৫৫গৰাকী সাধাৰণ লোক।

এই তথ্যৰ পৰা দেখা যায় ঃ

(১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা ৬

(২) লিঙ্গানুপাত হ'ল, প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলা ১০০২গৰাকী।

## ৩.৪ শিক্ষা আৰু দক্ষতা উন্নয়ন

প্ৰাপ্ত তথ্য অনুযায়ী ৬২.৫১ শতাংশৰো বেছি লোক সাক্ষৰ। এই জনসংখ্যাৰ অধিকাংশ সদস্যৰ শিক্ষাগত অৰ্হতা স্কুল পৰ্যায়ৰ।

**তালিকা - ঙ ঃ শিক্ষাগত অৰ্হতাৰ বিৰৰণ**

| বয়স শ্ৰেণী | প্ৰাথমিক | মধ্য ইং | উচ্চ মাঃ | উচ্চতৰ মাঃ | স্নাতক | স্নাতকোত্তৰ | নিৰক্ষৰ |
|---|---|---|---|---|---|---|---|
| **< ২৫ বছৰ** | ১৩৭ | ১৩৫ | ৪১ | ১০ | ২ | ০ | ২১ |
| **> ২৫ বছৰ** | ৩৯৫ | ২৩১ | ১২ | ৩ | ০ | ০ | ৫৭৮ |
| **মুঠ** | ৫৩২ | ৩৬৬ | ৫৩ | ১৩ | ২ | ০ | ৫৯৯ |

আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণৰেই জীৱিকাৰ দক্ষতা আহৰণ কৰা হৈছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতাৰ অৰ্থ হ'ল পৰম্পৰাগত উপায়সমূহ। নিম্নোক্ত ক্ষেত্ৰসমূহত লোকসকলে পৰম্পৰাগত দক্ষতা আহৰণ কৰিছে ঃ

ক) বাঁহ শিল্প

খ) কাঠমিস্ত্ৰী

গ) ৰাজমিস্ত্ৰী

৩.৫ **ভূমি ব্যৱহাৰৰ ধৰণ**

গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ তলত দিয়া ধৰণৰ ঃ

কৃষিভূমি ঃ ১৩০ হেক্টৰ

বৃক্ষাচ্ছাদিত ভূমি ঃ ১১২ হেক্টৰ

বসতি এলেকা ঃ ৩২ হেক্টৰ

জলাশয় ঃ ২ হেক্টৰ

পতিত ভূমি ঃ ৭০ হেক্টৰ, বেদখলকাৰীৰ কবলত

৩.৬ **ভূমি মালিকানাৰ ধৰণ**

ভূমি মালিকানাৰ ধৰণৰ তথ্য তলত দিয়া ধৰণৰ ঃ

৩.৯৩ শতাংশ পৰিয়াল চহকী খেতিয়ক (১০ হেক্টৰতকৈ অধিক)

৭৮.৭৪ শতাংশ পৰিয়াল উপান্ত কৃষক (২ হেক্টৰতকৈ কম ভূমি) আৰু

১৭.৩৩ শতাংশ পৰিয়াল ক্ষুদ্ৰ কৃষক (২-১০ হেক্টৰ)

৩.৭ **পশুধন**

গংাওবাসীৰ দ্বাৰা পালিত পশুধনৰ প্ৰকাৰ তলত দিয়া ধৰণৰ ঃ

**পশুধনৰ বিশদ বিৱৰণ**

| গাই | বলধ | ম'হ | হাঁহ-কুকুৰা |
|---|---|---|---|
| ১৭০ | ২১৪ | ৩৪ | ৯২৮ |



৩.৮ **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা**

যিকোনো সমাজতেই পৰ্যাপ্ত মৌলিক আন্তঃগাঁথনিয়ে নিৰ্বাহক্ষম জীৱিকাৰ উপায়সমূহ বিকাশত সহায় কৰে। গাঁওখনৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**বস্তুগত আন্তঃগাঁথনি**

| ক্ৰমিক নং | আন্তঃগাঁথনি | অৱস্থিতি (গাঁৱৰ বাহিৰত বা ভিতৰত) | সংখ্যা (যদি প্ৰযোজ্য) | যদি বাহিৰত-গাঁৱৰ পৰা আনুমানিক দূৰত্ব (মিঃ/ কিলোমিটাৰ) | ব্যৱহাৰৰ বৰ্তমান অৱস্থা |
|---|---|---|---|---|---|
| ১ | বাছ আস্থান | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ২ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ৩ | প্ৰাথমিক বিদ্যালয় | ভিতৰত | ৩ | — | ভাল |
| ৪ | মধ্য ইং বিদ্যালয় | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ৫ | উচ্চ মাধ্যমিক বিদ্যালয় | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ৬ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | বাহিৰত | ১ | ১৪ কিঃ মিঃ | দোৱাৰবন্দ |
| ৭ | মহাবিদ্যালয় | বাহিৰত | ১ | ১৪ কিঃ মিঃ | দোৱাৰবন্দ |
| ৮ | ডাকঘৰ | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ, ভাল |
| ৯ | বেংক | বাহিৰত | ১ | ১৪ কিঃ মিঃ | দোৱাৰবন্দ |
| ১০ | টেলিফোন | ভিতৰত | প্ৰত্যেক পৰিয়াল | | ব্যক্তিগত মোবাইল |
| ১১ | অঙ্গনৱাড়ী কেন্দ্ৰ | ভিতৰত | ৩ | | |
| ১২ | গাঁও পঞ্চায়ত কাৰ্যালয় | বাহিৰত | ১ | ৮ কিঃ মিঃ | ভাল |
| ১৩ | ৰাজহ চক্ৰ কাৰ্যালয় | বাহিৰত | ১ | ৭০ কিঃ মিঃ | হাইলাকান্দি |
| ১৪ | আৰক্ষী চকী | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ১৫ | বন লাট কাৰ্যালয় | বাহিৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ |
| ১৬ | বন আঞ্চলিক কাৰ্যালয় | বাহিৰত | ১ | ২৬ কিঃ মিঃ | মাটিজুৰি |
| ১৭ | ৰে'ল ষ্টেচন | বাহিৰত | ১ | ৭০ কিঃ মিঃ | হাইলাকান্দি |
| ১৮ | খোৱাপানীৰ উৎস | ভিতৰত | ৬ | | কুঁৱা প্ৰতিঘৰত |
| ১৯ | সমূহীয়া ভৱন | ভিতৰত | ৪ | | |
| ২০ | বিদ্যুৎ সংযোগ থাকা আবাস | ভিতৰত | ২৫৪ | | বেছিভাগ ঘৰতে আছে |
| ২১ | মন্দিৰ | ভিতৰত | ৬ | | |
| ২২ | জিলা সদৰ | বাহিৰত | | ৭০ কিঃমিঃ | হাইলাকান্দি |
| ২৩ | নিকটৱৰ্তী বজাৰ | ভিতৰত | ১ | ২ কিঃ মিঃ | বেলাইপুৰ বজাৰ |

এই তথ্যসমূহে গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থাক তুলি ধৰিছে।
ওপৰৰ তালিকাত গাঁৱৰ আন্তঃগাঁথনিৰ নিম্নোক্ত বিষয়সমূহ উল্লেখনীয় ঃ

**বস্তুগত আন্তঃগাঁথনি ঃ** গাঁৱত পকীৰাস্তা, বিদ্যুৎ, পানী যোগান, মোবাইল নেটৱৰ্ক ইত্যাদি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা ঃ** শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা অতি নগণ্য। চৰকাৰী যান-বাহন পৰ্যাপ্ত নহয়। গাঁৱৰ বাসিন্দাসকলে যাতায়াতৰ বাবে চাইকেল ব্যৱহাৰ কৰিব লাগে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনে থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ কাৰ্যালয়, বন লাট কাৰ্যালয় ইত্যাদি) যথেষ্ট দূৰৈত আৰু নিকটৱৰ্তী এলেকাৰ পৰা নিয়মিত চৰকাৰী যান-বাহন নোপোৱাৰ বাবে গাঁৱৰ লোকসকল ব্যাপক অসুবিধাৰ সন্মুখীন হ'বলগা হয়।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰ বাসস্থানৰ পৰা যথেষ্ট দূৰৈত। ফলত গাঁৱৰ বাসিন্দাসকলৰ বেংক একাউণ্ট বা ডাকঘৰৰ ছেভিংছ একাউণ্ট নাই।

**৩.৯ কৃষি/শস্য**

গাঁৱত প্ৰধানতঃ নিম্নোক্ত শস্যসমূহৰ খেতি কৰা হয়।

খাৰিফ শস্য ঃ ধান

অন্যান্য ঃ শাক-পাচলি

অধিকাংশ শস্য বৰষুণৰ ওপৰত নিৰ্ভৰশীল

গাঁৱৰ সৰ্বাধিকসংখ্যক পৰিয়াল ধানখেতিৰ লগত যুক্ত

উৎপাদিত শস্যৰ পৰিমাণ আৰু উৎপাদন হাৰ তলত উল্লেখ কৰা হ'ল ঃ

ক) ধান ঃ উৎপাদন ৭০০০ কুইণ্টল

**৩.১০ পশুখাদ্যৰ পৰ্যাপ্ততা**

গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসসমূহ তলত দিয়া ধৰণৰ ঃ

ক) কৃষিভূমি

খ) বনাঞ্চল

গ) ঘৰুৱা বাগান

**৩.১১ বজাৰ**

গাঁওবাসীয়ে বেচা-কিনাৰ বাবে নিম্নোক্ত বজাৰসমূহলৈ যাতায়াত কৰে ঃ

ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ বৰথল বনগাঁও (গাঁৱৰ ভিতৰত)

খ) সাপ্তাহিক বজাৰ ঃ ২ কিঃমিঃ দূৰত্বৰ বেলাইপুৰ

গ) প্ৰধান বজাৰ ঃ ২০ কিঃমিঃ দূৰত্বৰ দোৱাৰবন্দ

### ৩.১২ পানীৰ উৎস

পানীৰ প্ৰধান উৎসসমূহ তলত দিয়া ধৰণৰ ঃ

ক) কুঁৱা ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতুগত)

খ) পানী যোগান ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি/ঋতুগত)

### ৩.১৩ শক্তিৰ ব্যৱহাৰ

গাঁৱত শক্তিৰ প্ৰধান উৎসসমূহ হ'ল ঃ

ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২৫৪টা, উৎস ঃ বনাঞ্চল

খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৫২টা পৰিয়াল

### ৩.১৪ আৰ্থ-সামাজিক অৱস্থান

**সামাজিক গঠন ঃ** গাঁওখনত বাস কৰা বেছিভাগ পৰিয়ালেই বঙালী, মুছলিম সম্প্ৰদায়ৰ। তেওঁলোকৰ মাজত শ্ৰেণী বিভাজন আছে। সমাজত গভীৰ সামাজিক শ্ৰেণীকৰণ আছে। মহিলাসকলৰ অৱস্থা সন্তোষজনক নহয়।

**অৰ্থনৈতিক অৱস্থা ঃ** গাঁৱৰ বাসিন্দাসকল কৃষি, বাঁহৰ শিল্প, কাঠমিস্ত্ৰী আদি বিভিন্ন কাৰ্যকলাপত ব্যস্ত। প্ৰায়সংখ্যক পৰিয়ালৰ বাৰ্ষিক গড় আয় ৩৬,০০০-১,২০,০০০ টকা।

## ৪। জীৱিকা সম্পদৰ ৰূপৰেখা আৰু দুৰ্বলতাৰ দিশসমূহ

গাঁৱৰ জীৱিকা সম্পদ আৰু সেইসমূহৰ বৰ্তমান অৱস্থা সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হৈছে। তাৰ উপৰি এই অধ্যায়ত দুৰ্বলতাৰ দিশসমূহৰ ওপৰতো আলোচনা কৰা হৈছে।

### ৪.১ জীৱিকা সম্পদসমূহৰ বিশ্লেষণ

নিৰ্বাহক্ষম জীৱিকা নিৰ্দেশনা (এছ এল এফ) অনুযায়ী যিকোনো গাঁৱতে জীৱিকা ব্যৱস্থা উন্নত কৰাৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ পাঁচটা জীৱিকা সম্পদ দৰকাৰ। এইসমূহ হ'ল— মানৱ সম্পদ, বিত্তীয় মূলধন, সামাজিক মূলধন, প্ৰাকৃতিক মূলধন আৰু বস্তুগত মূলধন। এই পাঁচটা মূলধনৰ অৱস্থা সম্পৰ্কে পৰ্যালোচনা তলত উল্লেখ কৰা হ'ল ঃ

**মানৱ সম্পদ ঃ**

বৰথল জে এফ এম চিত উচ্চ পৰ্যায়ৰ মানৱ সম্পদ আছে যিটো ২০১১ চনৰ লোকপিয়ল অনুসৰি ১৫৯৮। ইয়াত অতি বেছি (প্ৰায় ৭০ শতাংশ) পৰিমাণৰ লোক কৰ্মশক্তিৰ (১৮-৬০ বছৰ), যিটোৱে অনাগত দিনবোৰত গাঁওখনৰ উন্নয়নৰ প্ৰচুৰ সম্ভাৱনা দাঙি ধৰে। সাক্ষৰতাৰ দিশটোৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ সাক্ষৰতাৰ হাৰ প্ৰায় ৬২.৫১ শতাংশ।

**প্ৰাকৃতিক সম্পদ ঃ**

প্ৰাকৃতিক সম্পদত গাঁওখন চহকী। মুঠ কৃষিভূমি তলত দিয়াৰ দৰে শ্ৰেণীকৰণ কৰিব পাৰি ঃ

কম উৎপাদন এলেকা ঃ ২০ হেক্টৰ

পানী উপলব্ধ এলেকা ঃ ১০ হেক্টৰ

ওখ এলেকা ঃ ১০ হেক্টৰ

এই ভূমিশ্ৰেণীসমূহ প্ৰায় ২০১টা পৰিয়ালৰ জীৱিকাৰ প্ৰধান উৎস। বনাঞ্চলৰ কিছু গুৰুত্বপূৰ্ণ ভূমিকাও আছে। গাঁওবাসীয়ে প্ৰায় ১৫ হেক্টৰ বনভূমি অধিকাৰ কৰি আছে।

**সামাজিক মূলধন ঃ**

গাঁওখন ধৰ্মীয় সমন্বয় আৰু একতাৰ নিদৰ্শন। হিন্দুসকল সংখ্যাগুৰু, ইয়াত ছয়টা মন্দিৰ আছে।ইয়াত এটা আত্মসহায়ক গোট আছে যদিও এন জি অ' নাই। একমাত্ৰ আত্মসহায়ক গোটটোৱে ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰি আহিছে যদিও শোচনীয় আন্তঃগাঁথনিৰ বাবে কামত বাধাৰ সৃষ্টি হৈছে। সেয়েহে এই ক্ষেত্ৰত অধিক মনোযোগ দিয়া প্ৰয়োজন।

**বস্তুগত মূলধন ঃ**

পথ, বেংক, ডাকঘৰ আৰু অন্যান্য বস্তুগত মূলধনৰ উপস্থিতি বা অনুপস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি গাঁৱৰ বস্তুগত মূলধনৰ সমীক্ষা কৰা হয়। গাঁৱত নিকটৱৰ্তী বাছ আস্থান নাই। কেঁচা পথবোৰে যোগাযোগত ব্যাঘাত জন্মাই আহিছে। ওপৰত উল্লেখ কৰাৰ দৰে ক্ৰমবৰ্ধিত স্বাস্থ্য সমস্যাৰ বাবে গাঁৱত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অভাৱ উল্লেখযোগ্য। গাঁওখনত তিনিখন প্ৰাথমিক বিদ্যালয় থকাটো শুভলক্ষণ যদিও ইয়াৰ সমান্তৰালভাৱে এইটোও গুৰুত্ব দিবলগীয়া কথা যে ইয়াত মধ্য ইংৰাজী, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় গাঁৱৰ পৰিসীমাৰ ভিতৰত নাই।

## ৪.২ জীৱিকা সম্পদৰ পঞ্চভূজ

গাঁওখনৰ পাঁচ প্ৰকাৰ জীৱিকা সম্পদৰ পৰ্যালোচনা আৰু মূল্যায়ন কৰি এটি জীৱিকা পঞ্জভূজ তৈয়াৰ আৰু অধ্যয়ন কৰা হৈছে। এই জীৱিকা পঞ্চভূজ সুষম নহয়। গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনাত উল্লেখ কৰা যথোপযুক্ত জীৱিকাৰ ৰণকৌশল আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰি ব্যৱধানসমূহক দূৰ কৰিব পৰা যায়।

## ৪.৩ দুৰ্বলতাৰ পৰিপ্ৰেক্ষিতসমূহৰ বিশ্লেষণ

গাঁওখনে তিনি প্ৰকাৰৰ দুৰ্বলতাৰ সন্মুখীন হৈ আহিছে ঃ

ক) মেলেৰিয়া

খ) গ্ৰহণী

গ) ধুমুহা আৰু ঘূৰ্ণী

মাৰ্চ-জুলাইত মেলেৰিয়া প্ৰধান বিপদৰ কাৰণ হৈ পৰে। গ্ৰহণীয়েও এপ্ৰিল-জুলাই মাহত লোকসকলৰ গুৰুতৰ স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে। ধুমুহা আৰু ঘূৰ্ণীৰ ক্ষেত্ৰত লোকসলৰ ধন-জন বিশেষকৈ মাৰ্চ-মে’ মাহৰ সময়ছোৱাত যথেষ্ট ক্ষতি হয়। বিগত বছৰত ধুমুহাত ১২টা পৰিয়াল বেয়াকৈ ক্ষতিগ্ৰস্ত হয়।

## ৪.৪ ঋতুভিত্তিক কৃষি পঞ্জিকা

অংশগ্ৰহণমূলক আলোচনাৰ মাধমেৰে এখন ঋতুভিত্তিক কৃষি পঞ্জিকা প্ৰস্তুত কৰা হৈছে। এই কৃষি পঞ্জিকাত ঋতু অনুযায়ী বিভিন্ন প্ৰকাৰৰ শস্যৰ খেতি আৰু দুৰ্বলতাসমূহ দেখুওৱা হৈছে। মে’-ছেপ্টেম্বৰ মাহত শালিধানৰ খেতি আৰু ছেপ্টেম্বৰ-এপ্ৰিল মাহত ৰবিশস্যৰ খেতি কৰা হয়। আগষ্ট-ডিচেম্বৰ মাহত আহুধানৰ খেতি কৰা হয়।

**বৰথল জে এফ এম চিৰ ঋতু ভিত্তিক কৃষি পঞ্জিকা**

| মাহ | জানু | ফেব্ৰু | মাৰ্চ | এপ্ৰিল | মে’ | জুন | জুলাই | আগষ্ট | ছেপ্টে | অক্টো | নৱে | ডিচে |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | শালি ধান | | | | | | | |
| শস্য | | | | | | | | আহু ধান | | | | |
| | ৰবি শস্য (শাক-পাচলি) | | | | | | | | ৰবি শস্য | | | |
| বিপদৰ কাৰণসমূহ | | | | | | বানপানী | | | | | | |

## ৫। সাম্প্ৰতিক পৰিকল্পনা আৰু কাৰ্যসূচী

ক্ষুদ্ৰ পৰিকল্পনাত প্ৰত্যক্ষ প্ৰভাৱ পেলোৱা অন্য কিছু গুৰুত্বপূৰ্ণ পৰিকল্পনা আৰু ৰূপায়ণ পদ্ধতি আৰু প্ৰক্ৰিয়াৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব। তাৰ ভিতৰত প্ৰধান হৈছে ৰাজ্যৰ বনাঞ্চলত বন আৰু বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু বহনক্ষম বিকাশৰ বাবে প্ৰস্তুত কৰা সামগ্ৰিক কাৰ্যকৰী পৰিকল্পনা। বন্যপ্ৰাণী এলেকাত এই পৰিকল্পনাক কোৱা হয় ব্যৱস্থাপনা পৰিকল্পনা আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত ইয়াক কোৱা হয় বাঘ সংৰক্ষণ পৰিকল্পনা। তদুপৰি, অন্য কিছু আঁচনি অছে যেনে জনজাতি উপ-পৰিকল্পনা (টি এছ পি) আৰু অনুসূচিত জাতি পৰিকল্পনা (এছ চি পি), যিবোৰ বন বিভাগৰ জৰিয়তে বনগাঁওসমূহত ৰূপায়ণ কৰা হয়। অন্য কিছু বিভাগে স্বাস্থ্য, শিক্ষা, শক্তি, জলসিঞ্চন আৰু জীৱিকাৰ ব্যৱস্থা কৰে। এই বিভাগবোৰে প্ৰায়ে বনগাঁওসমূহত আঁচনি ৰূপায়ণ কৰে।

অসম যৌথ (ৰাইজৰ অংশগ্ৰহণ) বন ব্যৱস্থাপনা বিধি, ১৯৯৮ প্ৰণয়ন কৰাৰ পাছত যৌথ বন ব্যৱস্থাপনা আৰম্ভ কৰা হয় আৰু ২০০২ চনত জে এফ এম চি আৰু ই ডি চিসমূহ স্থাপন কৰা হয়। ইয়াৰ পূৰ্বে কিছু কাৰ্যকৰী পৰিকল্পনাত যৌথ বন ব্যৱস্থাপনা চক্ৰ স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল। তদুপৰি, ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেত, ২০১৪ত ক্ষুদ্ৰ পৰিকল্পনাৰ ওপৰত জোৰ দিয়া হৈছিল আৰু ইয়াৰ বাবে সবিশেষ নীতি-নিৰ্দেশনাও প্ৰস্তুত কৰিছিল। এই ক্ষুদ্ৰ পৰিকল্পনা ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেত (২০১৪)ৰ আধাৰত প্ৰস্তুত কৰা হৈছে।

### ৫.১ কৰ্ম পৰিকল্পনাৰ সৈতে সম্পৰ্ক

হাইলাকান্দি বন সংমণ্ডল ১৯৯২ চনত গঠন কৰা হয়। ইয়াৰ পূৰ্বে এই সংমণ্ডলৰ বনাঞ্চল এলেকাসমূহ কাছাৰ আৰু কৰিমগঞ্জ বন সংমণ্ডলৰ দ্বাৰা পৰিচালিত হৈছিল। জে এফ এম চিটো মূলতঃ কাটাখাল সংৰক্ষিত বনাঞ্চলত পৰে। এম কে যাদৱৰ দ্বাৰা প্ৰণীত কৰিমগঞ্জ বন বিভাগৰ (১৯৯৮-৯৯-২০১০-১১) কৰ্মপৰিকল্পনা অনুযায়ী কাম আৰম্ভ কৰা হয়। এই সংমণ্ডলৰ এইটোৱে হ'ল শেহতীয়া কৰ্মপৰিকল্পনা। এই কৰ্মপৰিকল্পনাত প্ৰায় বিনষ্ট বনভূমি এলেকা অথবা বেদখল এলেকাসহ সমস্ত বনগাঁওসমূহক 'এনাৰ্জী প্লেণ্টেচন ৱৰ্কিং চাৰ্কোল'ৰ (ই পি ডব্লিউ চি) অন্তৰ্ভুক্ত কৰা হয়।

কৰ্মপৰিকল্পনা অনুযায়ী শিমলু, ইৰিথ্ৰিনা, ডিলেনিয়া, ম্যাঙ্গিফেৰা, আজাৰ ইত্যাদিৰ দ্বাৰা এই বনাঞ্চল গঠিত। ইয়াৰ কিছু এলেকা বিচ্ছিন্ন খণ্ড খণ্ড ও টিলাৰে পৰিৱেষ্টিত। ইয়াৰ কিছু এলেকাত বিচ্ছিন্নভাৱে অন্যান্য উদ্ভিদৰ বাঁহৰ জোপোহাও আছে। কৰ্মপৰিকল্পনাত এইবোৰ এলেকাত ম্যালুটাস অ্যাল্বা, আইলানথাস এক্সেল্‌স, আকাসিয়া, অ্যান্থোসেফালাস কদম্ব ইত্যাদি নিৰ্দিষ্ট কিছু প্ৰজাতিৰ গছ ৰোপণৰ পৰামৰ্শ দিয়া হৈছে যিসমূহ হ'ল কাঠখৰিৰ প্ৰজাতি আৰু কাঠখৰিৰ বাবেই এইসমূহ উৎপাদন কৰা হয়। এই কৰ্মপৰিকল্পনাত খালী স্থানসমূহত এগ্ৰো-ফৰেষ্টি মডেল উন্নয়ন কৰিবৰ বাবে বান্ধ, ফাৰ্ম, ৰাস্তা আৰু বনাঞ্চলৰ বহিঃসীমা ইত্যাদিৰ পৰামৰ্শ প্ৰদান কৰা হৈছে। যিবোৰ উদ্ভিদ দ্ৰুতভাৱে বাঢ়ে সেইধৰণৰ প্ৰজাতিৰ উদ্ভিদ ৰোপণৰ পৰামৰ্শ দিয়া হৈছে। কৰ্মপৰিকল্পনাত হ্ৰস্বম্যাদী পৰ্যায়ক্ৰমিক নিৰণি ব্যৱস্থাৰ পৰামৰ্শ দিয়া হৈছে, যিসমূহ গছ ১০ বছৰৰ পৰ্যায়ক্ৰমিক সময়ৰ বাবে ৰোপণ কৰিব পাৰি। এই পৰিকল্পনাত অনুমান কৰামতে প্ৰতি ১০ বছৰত প্ৰতি হেক্টৰ ভূমিত ২৭৫ চি ইউ এমৰো বেছি উৎপাদন হ'ব।

**পৰামৰ্শসমূহ ঃ** ই পি ডব্লিউ চি এলেকাসমূহৰ বাবে নিম্নোক্ত পৰামৰ্শসমূহ প্ৰদান কৰা হয়।

১) দ্ৰুতভাৱে বৃদ্ধি  পোৱা প্ৰজাতিৰ গছ ৰোপণৰ পৰামৰ্শ দিয়া হয়।

২) এগ্ৰো-ফৰেষ্ট্ৰি মডেল উন্নয়নৰ চেষ্টা কৰা হ'ব।

৩) দ্ৰুত বৰ্ধনশীল প্ৰজাতিৰ নাৰ্ছাৰী বিভাগীয়ভাৱে অথবা বেচৰকাৰী উৎপাদকৰ দ্বাৰা কৰা হ'ব।

৪) কম উদ্ভিদ থকা পাতল বনাঞ্চলসমূহ  স্থানীয়ভাৱে পৰিৱৰ্তন কৰিব পৰা যায়।

৫) চেগুণ গছ ৰোপণ কৰা নহ'ব।

৬) গছকটাৰ বাবে বন সংৰক্ষকে অনুমতি দিব পাৰিব।

৭) কোনো ব্যক্তিয়ে ৰোপণ কৰা গছৰ ওপৰত মালিকানা দাবী কৰিব নোৱাৰিব। উৎপাদিত বনজ সামগ্ৰী অসম যৌথ (ৰাইজৰ অংশগ্ৰহণ) বন ব্যৱস্থাপনা বিধি, ১৯৯৮ অনুযায়ী স্থানান্তৰ কৰা হ'ব।

৮) ৰোপণৰ বাৰ্ষিক লক্ষ্য ৩৯০ হেক্টৰ।

**অন্যান্য কৰ্মচক্ৰ**

কৰ্মপৰিকল্পনাৰ ভিতৰত আছে আৰু কিছু প্ৰাসঙ্গিক কৰ্মচক্ৰ। যেনে কাঠ ভিন্ন বন উৎপাদন অ'ভাৰলেপিং কৰ্মচক্ৰ (এন ডব্লিউ এফ পি অ' ডব্লিউ চি), বাঁহ অ'ভাৰলেপিং কৰ্মচক্ৰ (বি অ' ডব্লিউ সি) আৰু বনগাঁও বিধি আৰু বেদখল অ'ভাৰলেপিং কৰ্মচক্ৰ। এইসমূহৰ উপৰি আছে বিবিধ বিধান, যাৰ ভিতৰত উল্লেখযোগ্য হল, 'বন সংৰক্ষণ আৰু পুনৰ্নিৰ্মাণ সমিতি গঠন' আৰু 'বনগাঁও ব্যৱস্থাপনা'। এই বিধানসমূহৰ পৰা পোৱা গুৰুত্বপূৰ্ণ বিষয়সমূহ হ'ল ঃ

১) সমিতিসমূহৰ মাধ্যমেৰে সমস্ত ক্ষেত্ৰীয় কামসমূহ ৰূপায়ণ।

২) জলবিভাজিকা ব্যৱস্থাপনাৰ বাবে সুসংহত জলবিভাজিকা ব্যৱস্থাপনা (আই ডব্লিউ এম) গ্ৰুপ গঠন কৰিব লাগিব।

৩) বাঁহ যোগানৰ বাবে শ্ৰমিক সমবায় গঠন কৰিব লাগিব।

৪) বনগাঁও পঞ্জীয়ন, জমাবন্দী পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব।

৫) প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে বনগাঁও লোকপিয়ল কৰিব লাগিব।

৬) লোকপিয়লৰ লগে লগে পশুধনৰ সংখ্যাও গণনা কৰিব লাগিব আৰু গাঁৱৰ লোকসকলৰ আৰ্থসামাজিক অৱস্থা তথ্যভুক্ত কৰিব লাগিব।

**অতিৰিক্ত প্ৰস্তাৱ**

কৰ্মপৰিকল্পনাত জলবিভাজিকা ভিত্তিক ব্যৱস্থাৰ পৰামৰ্শ দিয়া হৈছে। জলাশয়সমূহৰ বেছিভাগেই আছে গেণ্ডাইচেড়া, লালাচেড়া, কুকিচেড়া এলেকাত। অধিকাংশ জলবিভাজিকা ক্ষতিগ্ৰস্ত হৈ পৰিছে। প্ৰশাসনিক পৰামৰ্শ অনুযায়ী জলবিভাজিকা ক্ষেত্ৰসমূহ দায়িত্বশীল গোট হ'ব পাৰে।

## ৫.২ বন বিভাগৰ অতীত পদক্ষেপসমূহ ঃ

ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ অধীনত বন বিভাগে ২০০৬-০৭ৰ পৰা ২০১৩-২০১৪ চনলৈ ৰোপণৰ কাম সম্পন্ন কৰিছে। একে বছৰতেই ৰাষ্ট্ৰীয় বাঁহ অভিযানে ক্ষতিগ্ৰস্ত বাঁহৰ উন্নয়নৰ কাৰণে কাম হাতত লয়। এ পি এফ বি চিৰ অধীনত ২০১৫-১৬ চনত হাইলাকান্দিৰ ১০টা জে এফ এম চিত কাঠখৰিৰ গাছ ৰোপণৰ পদক্ষেপ লোৱা হয়। এই সংক্ৰান্তীয় তথ্য তলত দিয়া হ'ল।

| NBM Plantation | | | | | | | | | NBM Imp. of degreded bamboo | | | | | | Total | APFBC(FW) | SMPB | G.Total | Name of JFMC |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 06-07 | 07-08 | 08-09 | 09-10 | 10-11 | 12-13 | 12-13 | 13-14 | Total | 06-07 | 07-08 | 08-09 | 09-10 | 13-14 | Total | NBM | 15-16 | 15-16 | Phy.(Ha) | |
| 10 | 15 | 10 | | 11 | | | 10 | 56 | 10 | 10 | | 20 | | 40 | 96 | 20 | | 261 | N. Bagbahar |
| 10 | 15 | 10 | 20 | 12 | | | 10 | 77 | 20 | 10 | | 20 | | 50 | 127 | 20 | | 302 | O. Bagbahar |
| 5 | 5 | | | 12 | | 20 | 10 | 52 | | | 40 | 20 | 20 | 80 | 132 | 20 | 15 | 309 | Protappur |
| 10 | 10 | 10 | 20 | 12 | | 50 | 10 | 122 | | | 36 | 20 | 20 | 76 | 198 | 30 | | 328 | Dhalchera |
| 5 | | | | | | | 10 | 15 | | | | | 20 | 20 | 35 | 20 | | 180 | Borthal |
| 5 | 5 | | | 12 | | 10 | 10 | 42 | 20 | 10 | | 20 | 20 | 70 | 112 | 20 | | 247 | Bilaipur |
| 5 | | | | | | | | 5 | | | | | | | 5 | 20 | | 250 | Kacharthal |
| 5 | 10 | | | | | | | 15 | 10 | 10 | | | | 20 | 35 | 30 | | 250 | Nunai |
| 10 | 15 | | | | | 30 | | 55 | | | | | | | 55 | 43 | | 169 | Kukichera |
| 10 | | | | | | 30 | 10 | 50 | 20 | 15 | | | 20 | 55 | 105 | 50 | | 307 | Baruncherra |

বন বিভাগে এ পি এফ বি চি প্ৰকল্পৰ অধীনত ২০১৫-১৬ বৰ্ষত সক্ষমতা গঢ়ি তোলা আৰু দক্ষতা উন্নয়ন কাৰ্যসূচীও হাতত লয়।

আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'-ডাইভাৰ্ছিটী কনজাৰভেচন ছ'ছাইটীৰ প্ৰকল্প ব্যৱস্থাপনা গোটে হাইলাকান্দি বন সংমণ্ডলৰ অধীনস্থ জে এফ এম চি পৰ্যায়ত নাৰ্ছাৰী আৰু উদ্যানশস্য ৰোপণ ব্যৱস্থাপনা সম্পৰ্কে প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰে আৰু ইয়াৰ বাবে ব্যয় কৰা হয় ২,০৬,৮০০/- টকা (দুই লাখ ছয় হাজাৰ আঠশ)। ২০১৬ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত হাইলাকান্দিৰ কৃষি বিভাগে মুঠ ১৬৪জন ব্যক্তিৰ চাৰিটা দলক প্ৰশিক্ষণ দিয়ে।

## ৫.৩ অন্যান্য বিভাগৰ কাৰ্যসূচী ঃ

**জনজাতি উপ-পৰিকল্পনা ঃ** অতীতত এই বিভাগৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ জনজাতি উপ-পৰিকল্পনাৰ কাৰ্যসূচীসমূহ ৰূপায়ণ কৰা হৈছে। ১৯৯৫-৯৬ বৰ্ষত টি এছ পি আঁচনিৰ অধীনত কুঁৱা খনন, পথ উন্নয়ন, নিম্ন প্ৰাথমিক বিদ্যালয় নিৰ্মাণ ইত্যাদি কামসমূহ সম্পন্ন কৰা হৈছে। এই কামসমূহৰ বাবদ বাজেট ধাৰ্য কৰা হৈছিল ৩,৬৮,০০০.০০ টকা।

## ২০০৯-১০ বৰ্ষৰ জনজাতি উপ-পৰিকল্পনাৰ আঁচনিসমূহ

| বনগাঁও উন্নয়ন আঁচনি | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ক্ৰমিক নং | বনগাঁৱৰ নাম | কামৰ বিৱৰণ | | | | | | |
| | | পথ | | কালভাৰ্ট | | মাৰ্কেট শ্বেড | | মুঠ |
| | | পৰিমাণ | কিঃমিঃ | পৰিমাণ | গোট | পৰিমাণ | গোট | |
| ১ | বৰথল | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ২ | বেলাই পুৰ | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ৩ | প্ৰতাপপুৰ | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ৪ | ধলছেড়া টিপ্ৰাপুঞ্জি | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ৫ | লালপানি | ৬.৩৬ | | | | ৬.২৬ | ১ (পি) | ৯.৬২ |
| ৬ | ধলছেড়া | ৬.৩৬ | | | | ৬.২৬ | ১ (পি) | ৯.৬২ |
| ৭ | নক্সাটিলা | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ৮ | পুৰণি বাগবাহাৰ | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ৯ | নতুন বাগবাহাৰ | ৬.৩৬ | | ১.২৫ | ১ | | | ৭.৬১ |
| ১০ | নওগাঁও | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১১ | লালছেড়া | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১২ | কছাৰীথল | ৬.০৯ | ১.৭০ | | | ৩.২৩ | ১ (পি) | ৯.৩২ |
| ১৩ | নুনাই | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১৪ | বৰুণছেড়া | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১৫ | ঝালনাছেড়া | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১৬ | কুকিছেড়া | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১৭ | ঘাৰমুৰা | ৬.৩৬ | ১.৭০ | | | ৩.২৬ | ১ (পি) | ৯.৬২ |
| ১৮ | দত্তপুৰ | ৬.৩৬ | ১.৭০ | ১.২৫ | ১ | | | ৭.৬১ |
| ১৯ | জেকবপুৰ | ৬.৩৬ | ১.৭০ | ১.৩৮ | ১ | | | ৭.৭৪ |
| ২০ | ৰামনাথপুৰ | ৬.৩৬ | ১.৭০ | ২.৫০ | ১ | | | ৮.৮৬ |
| | **মুঠ** | ১২৬.৯৩ | ৪.০০ | ২১.৩৮ | ১৬ | ১৩.০১ | ৪ (পি) | ১৬১.৩২ |

**উৎস ঃ** ডি এফ অ' কাৰ্যালয়, হাইলাকান্দি বন সংমণ্ডল

# বৰথল যুটীয়া বন পৰিচালনা সমিতি
## হাইলাকান্দি বন সংমণ্ডল, দক্ষিণ অসম চক্র

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## অধ্যায় - ২

## ৬। ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্যসমূহ, সবলতা, দুৰ্বলতা, সুযোগ আৰু বিপদ (SWOT) আৰু ব্যৱধান বিশ্লেষণ

### ৬.১ ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্যসমূহ

এখন গাঁও পৰ্যায়ৰ ক্ষুদ্ৰ পৰিকল্পনা হ'ল গ্ৰামোনয়ন আৰু বনাঞ্চল উন্নয়ন পৰিকল্পনা, যিখন হ'ল প্ৰয়োজন ভিত্তিক, স্থান ভিত্তিক আৰু উপলব্ধ সম্পদেৰ সৈতে সামঞ্জস্যপূৰ্ণ। যিহেতু পৰিকল্পনাৰ গোটটো ক্ষুদ্ৰ, সেয়েহে ইয়াক ক্ষুদ্ৰ পৰিকল্পনা বোলা হয়। ক্ষুদ্ৰ পৰিকল্পনাই দুটা উদ্দেশ্য পূৰণ কৰাৰ চেষ্টা কৰে ঃ

১) জীৱিকা উন্নত কৰা

২) জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰা

ভাৰতত ক্ষুদ্ৰ পৰিকল্পনা ভাৰত চৰকাৰৰ দ্বাৰা গৃহীত যুটীয়া বন পৰিচালনা ব্যৱস্থাৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। এই ক্ষেত্ৰত ক্ষুদ্ৰ পৰিকল্পনা হ'ল ৰাইজৰ সক্ৰিয় অংশগ্ৰহণৰ মাধ্যমত প্ৰস্তুত কৰা এক সাধাৰণ দলিল। সম্প্ৰদায় (গাঁও) হ'ল এই ধৰণৰ ক্ষুদ্ৰ পৰিকল্পনাৰ গোট। স্থানীয় বনজ সম্পদৰ সৈতে স্থানীয় চাহিদাসমূহ আৰু বন বিভাগৰ কাৰ্যসূচীৰ উদ্দেশ্যসমূহৰ সংযোগ সাধনে হ'ল এই দলিলৰ উদ্দেশ্য। জে এফ এম চি নীতি-নিৰ্দেশনা, ২০০০ অনুযায়ী গাঁৱত বিশদ পি আৰ এ অনুশীলনৰ ওপৰত বন বিষয়া আৰু জে এফ এম চিয়ে এটি ক্ষুদ্ৰ পৰিকল্পনা তৈয়াৰ কৰিব লাগিব। জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাসমূহক বন বিভাগৰ কৰ্মপৰিকল্পনাৰ সৈতে চামিল কৰিব লাগিব।

বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলা উভয়ৰে অংশগ্ৰহণত তৈয়াৰ কৰা হৈছে। এই তথ্য ২০১৬ চনৰ মে' মাহত সম্প্ৰদায়ৰ সদস্যসকল আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ (আৰ জি ভি এন) কৰ্মচাৰীসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পি আৰ এ) প্ৰক্ৰিয়াৰ মাধ্যমেৰে তৈয়াৰ কৰা হৈছে। ইয়াৰ ওপৰত গৃহীত বিভিন্ন পদক্ষেপ তলত উল্লেখ কৰা হ'ল ঃ

ক) প্ৰকল্পৰ উদ্দেশ্য সম্পৰ্কে আলোচনা আৰু জনসম্প্ৰদায় আৰু তেওঁলোকৰ পৰিপ্ৰেক্ষিত সংক্ৰান্তীয় প্ৰয়োজনীয় তথ্য সংগ্ৰহত তেওঁলোকৰ সহযোগিতা লাভৰ উদ্দেশ্যে ২০১৬ চনৰ মে' মাহত সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা অনুষ্ঠিত কৰা হয়।

খ) সম্প্ৰদায় আৰু তেওঁলোকৰ পৰিপ্ৰেক্ষিত সম্পৰ্কে প্ৰাৰম্ভিক তথ্য সংগ্ৰহ।

গ) ইয়াৰ পিছত সংগৃহীত তথ্যসমূহৰ বৈধতা সম্প্ৰদায়ৰ সৈতে আলোচনা কৰি পৰীক্ষা কৰা হয়।

ঘ) ৰাইজৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ মতামতৰ ভিত্তিত কাৰ্যপৰিকল্পনাৰ ৰূপৰেখা তৈয়াৰ কৰা।

ঙ) প্ৰকল্পৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত আৰ জি ভি এনে এই ক্ষুদ্ৰ পৰিকল্পনা সংকলন কৰিছে। ২০১৬ চনৰ জুলাই মাহত গৃহীত কৰাৰ উদ্দেশ্যে এই তথ্য সম্প্ৰদায়ৰ লোকসকল আৰু বন বিভাগৰ বিষয়াসকলৰ উপস্থিতিত আলোচনাৰ মাধ্যমত চূড়ান্ত কৰা হয়।

### ৬.২ চাহিদা মূল্যায়ন আৰু ব্যৱধান বিশ্লেষণ

সম্পদ মূল্যায়ন, সক্ষমতা মূল্যায়ন, জীৱিকা সম্পদৰ মানচিত্ৰায়ন আৰু দলীয়া আলোচনাত গুৰুত্ব প্ৰদানৰ মাধ্যমেৰে দুৰ্বলতাৰ দিশসমূহ পৰ্যালোচনা, পি আৰ এ অনুশীলনৰ ভিত্তিত গাঁও পৰ্যায় আৰু পৰিয়াল পৰ্যায়ৰ সমীক্ষা, চাহিদা মূল্যায়ন, ব্যৱধানসমূহৰ বিশ্লেষণ আৰু এছ ডব্লিউ অ' টি বিশ্লেষণ সম্পন্ন কৰা হৈছে। এই বিশ্লেষণৰ ভিত্তিতেই কাৰ্যপৰিকল্পনা, জীৱিকা, গ্ৰামোন্নয়ন কৌশল আৰু বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে।

**প্ৰশিক্ষণ প্ৰয়োজনীয়তাৰ পৰ্যালোচনা ঃ**

**ক) সামৰ্থ্য গঢ়ি তোলা ঃ** বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য, স্থিতিশীল উন্নয়ন, জলবায়ু পৰিৱৰ্তন, লিঙ্গ প্ৰসংগ, বিত্তীয় অন্তৰ্ভুক্তি, ডব্লিউ এ টি এছ এ এনৰ গুৰুত্ব, মাটি আৰু পানী সংৰক্ষণ, বান ব্যৱস্থাপনা ইত্যাদি গুৰুত্বপূৰ্ণ উন্নয়নমূলক বিষয় সম্পৰ্কে নিয়মিত সজাগতা কাৰ্যসূচীৰ জৰিয়তে সম্প্ৰদায়সমূহৰ সক্ষমতা গঢ়ি তোলা হয়। গ্ৰামোন্নয়নৰ বাবে এই বিষয় সম্পৰ্কে কৰ্মপৰিকল্পনাত প্ৰস্তাৱ কৰা হৈছে।

**খ) দক্ষতা উন্নয়ন ঃ** জীৱিকাৰ উন্নতিৰ বাবে কৰ্মপৰিকল্পনাত উল্লেখ কৰা প্ৰস্তাৱে জীৱিকাৰ দক্ষতাৰ নিয়মিত পৰ্যালোচনা কৰা, সা-সঁজুলি আৰু যন্ত্ৰপাতি ব্যৱহাৰ আৰু প্ৰক্ৰিয়া আৰু পদ্ধতিসমূহ সম্পৰ্কে বিশেষ প্ৰশিক্ষণ দিয়াৰ কথা কোৱা হৈছে।

## ৬.৩ সবলতা, দুৰ্বলতা, সুযোগ আৰু বিপদ (SWOT) পৰ্যালোচনা

সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসহ সকলো সদস্যৰ অংশগ্ৰহণৰ জৰিয়তে এছ ডব্লিউ অ' টি বিশ্লেষণ কৰা হৈছে।

**সবলতা**

১) একক সম্প্ৰদায়

২) জনসংখ্যাৰ তুলনাত অধিক কৃষিভূমি আৰু সেয়েহে উচ্চ কৃষি উৎপাদনৰ সুবিধা

**দুৰ্বলতা**

১) উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ অভাৱ

২) বেংক ঋণৰ অভাৱ

৩) নিবনুৱা

**সুবিধাসমূহ**

১) বয়ন সম্প্ৰসাৰণ

২) পশুধন পালন

৩) কৃষি সম্প্ৰসাৰণ

৪) পাচলি উৎপাদন

**বিপদসমূহ**

১) বেদখল

২) বানপানী

## ৬.৪ অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (PRA) কাৰ্যসূচী

গুৱাহাটীৰ আৰ জি ভি এনৰ এটা দলে বৰথলৰ পি আৰ এ অনুশীলন সম্পন্ন কৰে। তলত তাৰ বিৱৰণ দিয়া হ'ল ঃ

**তাৰিখ ঃ** ১৮-০৬-২০১৬

**স্থান ঃ** বৰথল

**উপস্থিত সদস্য ঃ** ৩৮

**উপস্থিত আছিল ঃ** জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰীবৃন্দ ইত্যাদি।

অংশগ্ৰহণমূলক মানচিত্ৰায়ন আৰু আদান-প্ৰদান কাম আৰম্ভ কৰাৰ পূৰ্বে গাঁও পৰ্যায়ত সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচীত তলৰ প্ৰধান বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে ঃ

ক) অংশগ্ৰহণমূলক পৰিকল্পনা

খ) অংশগ্ৰহণমূলক সা-সঁজুলি আৰু পদ্ধতি

গ) ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব আৰু জে এফ এম চিৰ ভূমিকা

ঘ) পৰিৱেশ সংক্ৰান্তীয় বিষয়সমূহ

ঙ) জলবায়ুৰ পৰিৱৰ্তন আৰু জলবায়ুৰ প্ৰকাৰভেদ

চ) পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য আৰু পৰিৱেশতন্ত্ৰৰ ব্যৱস্থাপনা (পৰম্পৰাগত আৰু বৈজ্ঞানিক)

ছ) নিৰ্বাহক্ষম জীৱিকা ফ্ৰেমৱৰ্ক

জ) জীৱিকা সম্পদৰ পঞ্জভূজ আৰু সামাজিক মূলধনৰ গুৰুত্ব

ঝ) ক্লাষ্টাৰ গঠন আৰু আত্মসহায়ক গোট গঠন, বিত্তীয় অন্তৰ্ভুক্তি

ঞ) বিপণন আৰু মূল্য সংযোজন

ট) উন্নয়ন কাৰ্যসূচী আৰু পাৰিপাৰ্শ্বিকতা আৰু পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যৰ সৈতে ইয়াৰ সম্পৰ্ক

ঠ) লিঙ্গ সংক্ৰান্তীয় বিষয় আৰু লিঙ্গ সমতা

**পৰ্যবেক্ষণ ঃ** আলোচনা আৰু পি আৰ এ অনুশীলনৰ সময়ত সম্প্ৰদায়ৰ লোকসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। এই আলোচনাত তলৰ বিষয়সমূহ প্ৰতিফলিত হৈছে ঃ

* অংশগ্ৰহণকাৰী ৰাইজে কয় যে অতীতত ধন আৰু প্ৰকল্পৰ অভাৱৰ কাৰণে জে এফ এম চি বেছি সক্ৰিয় নাছিল।
* অতীতত ই ডি চি/ জে এফ এম চিত সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী খুব কম আছিল।
* ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব তেওঁলোকে উপলব্ধি কৰিছে আৰু ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুতৰ সময়ত তেওঁলোকে যথেষ্ট সমৰ্থন আৰু সহযোগ কৰিছে।

* আনহাতে, কিছুমান এন জি অ'ই জে এফ এম চি পৰিদৰ্শন কৰি কেৱল তথ্য আৰু খবৰ সংগ্ৰহ কৰে, কিন্তু কোনো ধৰণৰ উন্নয়নমূলক কামৰ দায়িত্ব নলয়।

* প্ৰথমবাৰৰ বাবে এ পি বি এফ চিৰ অধীনত এন জি অ'বোৰে ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু সজাগতা সৃষ্টিত দিক্দৰ্শন কৰে। এই সজাগতা আৰু দিক্দৰ্শন কেৱল প্ৰকল্পটো সন্দৰ্ভতে নহয়, বিকাশ আৰু উন্নয়নত পাৰিৱেশিক আৰু পৰিৱেশতান্ত্ৰিক বিষয় সামৰি উন্নয়নমূলক ইচ্ছ্যু সন্দৰ্ভতো কৰা হয়।

* পৰিৱেশ, বন আৰু কীটনাশক, পশুধন ব্যৱস্থাপনা আদি জীৱিকা সম্পৰ্কীয় বিষয়ত ৰাইজৰ ভাল প্ৰজ্ঞা আৰু পৰম্পৰাগত জ্ঞান আছে।

* তেওঁলোকে জলবায়ু পৰিৱৰ্তনৰ ওপৰত আৰু কৃষি আৰু স্বাস্থ্যৰ ওপৰত পৰা ইয়াৰ বিৰূপ প্ৰভাৱৰ ওপৰত শংকা প্ৰকাশ কৰে।

* জলবায়ু পৰিৱৰ্তনৰ কাৰণ হ্ৰাসত নিজৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা ৰাইজে বুজিব পাৰিছে আৰু তেওঁলোকে আগ্ৰহ প্ৰকাশ কৰিছে। নিকটৱৰ্তী বনাঞ্চল সুৰক্ষাত নিজৰ ভূমিকা আৰু স্বতঃপ্ৰণোদিতভাৱে কামত নামি পৰাৰ দৰে কামসমূহ যে নিজৰে এই কথা ৰাইজে উপলব্ধি কৰা যেন মনে ধৰিছে।

**ৰাইজৰ প্ৰয়োজন পুনৰীক্ষণ ঃ** পি আৰ এ অনুশীলন, গাঁৱৰ ৰাইজ, জে এফ এম চিৰ সদস্য, বনকৰ্মী আৰু সংশ্লিষ্টসকলৰ সৈতে আলোচনাৰ ভিত্তিত জে এফ এম চিৰ বাবে গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। অংশগ্ৰহণমূলক কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ চাহিদা মূল্যায়ন কৰা হয়। মানুহৰ প্ৰয়োজন দুভাগত ভগাব পাৰি—

১) গঠনাত্মক প্ৰয়োজন

২) অগঠনাত্মক প্ৰয়োজন

এই পৰিৱৰ্তনবোৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰয়োজন হিচাপে ভাগ কৰিব পাৰি। ইয়াৰ প্ৰয়োজনৰ সবিশেষ গাঁও উন্নয়ন পৰিকল্পনাত দিয়া হৈছে।

মানুহৰ গঠনাত্মক প্ৰয়োজনৰ জীৱিকা উৎকৰ্ষসাধনৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক আছে। তাৰ ভিতৰত বাট-পথ, বিদ্যালয়, স্বাস্থ্যসেৱা, খোৱাপানী যোগান, পানী টেংক, কুঁৱা আদি আন্তঃগাঁথনি, শৌচাগাৰ নিৰ্মাণ, ৰাজহুৱা সভাগৃহ নিৰ্মাণ, প্ৰশিক্ষণ গৃহ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ আদি বিষয় জড়িত আছে।

অগঠনাত্মক প্ৰয়োজনৰ ভিতৰত দক্ষতা প্ৰশিক্ষণ, পশু চিকিৎসা সেৱা, স্বাস্থ্য সেৱা, ভ্ৰাম্যমাণ চিকিৎসকৰ দল, গাঁৱৰ বিদ্যালয়ত প্ৰয়োজনীয় শিক্ষক, বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ প্ৰশিক্ষণ আৰু সজাগতাৰ জৰিয়তে দক্ষতা গঢ়া, আত্মসহায়ক গোট আৰু ক্লাষ্টাৰ গঠন, কেঁচা সামগ্ৰীৰ ব্যৱস্থা, জে এফ এম চিৰ কাৰণে অহা উন্নয়নৰ ধন/ৰাজহুৱা ধন পৰিচালনা, পৰম্পৰাগত সামগ্ৰীত মূল্য সংযোজন আৰু বজাৰৰ সৈতে সংযোগকৰণ আদি অন্তৰ্ভুক্ত। যুটীয়া বন পৰিচালনাৰ ক্ষেত্ৰত শিক্ষামূলক ভ্ৰমণ খুবেই ফলপ্ৰসূ। ৰাইজৰ অংশগ্ৰহণমূলক প্ৰকল্প, হস্তশিল্পী গাঁও, মেলা, বাণিজ্য মেলা ইত্যাদিত অংশগ্ৰহণ আৰু ভ্ৰমণৰ প্ৰয়োজন।

## ৭। গ্ৰামোন্নয়ন পৰিকল্পনা

গ্ৰামোন্নয়নৰ দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী চাহিদাসমূহ বিবেচনা কৰি ৰাইজ আৰু জে এফ এম চিৰ সদস্যসকলৰ সৈতে আলোচনাৰ মাধ্যমেৰে এটি গ্ৰামোন্নয়ন পৰিকল্পনা তৈয়াৰ কৰা হৈছে। গ্ৰামোন্নয়নৰ বাবে সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা পৰিকল্পিত ব্যৱস্থাসমূহ তলত দিয়া ধৰণৰ ঃ

১) খোৱাপানীৰ সুবিধা পৰ্যাপ্ত নহয়। দীৰ্ঘ সময় ধৰি গাঁৱৰ পানীৰ উৎসসমূহ পৰীক্ষা কৰা হোৱা নাই। পানী যোগান প্ৰকল্প তাত আছে যদিও সেইবোৰ কাৰ্যক্ষম হৈ থকা নাই। তেওঁলোকে এইসমূহ পুনৰ নিৰ্মাণৰ দাবী কৰাৰ লগতে প্ৰতিজন গাঁওবাসীক সংযোজিত কৰাৰ কথা কয়।

২) গাঁৱত কিছু অংশত বিদ্যুতৰ ব্যৱস্থা আছে যদিও গোটেই গাঁওখন প্ৰকৃতভাৱে সংযোজিত হোৱা নাই। গাঁওখনৰ বেছিভাগ পৰিয়ালেই ইয়াৰ সুবিধাৰ পৰা বঞ্চিত। উপযুক্ত বৈদ্যুতিকীকৰণ এক উমৈহতীয়া দাবী।

৩) গাঁৱত প্ৰাথমিক বিদ্যালয় আছে যদিও শিক্ষকসকলৰ উপস্থিতি নিয়মীয়া নহয়, এজন স্থানীয় উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ যুৱকক তেওঁলোকে মাহিলি দুই হাজাৰ টকাত বন্দোৱস্ত কৰি ৰাখিছে। শিক্ষা অব্যাহত ৰাখিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক গাঁৱৰ বাহিৰলৈ পঠিয়াব নোৱাৰে। এখন উচ্চ মাধ্যমিক (ব্যক্তিগত) বিদ্যালয় আছে যদিও ইয়াৰ খৰচ তেওঁলোকে বহন কৰিব নোৱাৰে। উচ্চ শিক্ষাৰ কাৰণে গাঁৱৰ ভিতৰত এখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু এখন মহাবিদ্যালয় গাঁওবাসীয়ে দাবী কৰে।

৪) গাঁৱত তেওঁলোকে এটা ৰাজহুৱা বেংকৰ দাবী কৰে।

৫) প্ৰথমতে তেওঁলোকে বনৰ ওপৰত নিৰ্ভৰ কৰিছিল কিন্তু বিগত দুটা দশকৰ পৰা উৎসসমূহ ধ্বংস হৈ পৰিছে। বন উৎপাদন পুনৰুদ্ধাৰৰ বাবে তেওঁলোকক প্ৰশিক্ষণৰ প্ৰয়োজন।

৭.১ প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক (Entry Point Activity Rank)

| স্থানাংক | স্থানাংক অনুযায়ী গাঁৱৰ প্ৰাৰম্ভিক কাৰ্যসূচী | বিশদ বিৱৰণ | বাজেট |
|---|---|---|---|
| ১ | চকী, জেনেৰটৰসহ টেণ্ট হাউছৰ সৈতে সামূহিক ভৱন নিৰ্মাণ | জি পি এছ<br>উত্তৰ২৪°৩০'৩৪১"<br>পূব০৯২°৪২'৮৫৯" | |
| ২ | পথ ঃ<br>ক) ৰঞ্জন দাস-ৰাণু দাসৰ ঘৰ প্ৰায় ১.৫ কিঃমিঃ<br>খ) ভানু দাস ঘৰ-বালিচেড়া পথ প্ৰায় ২ কিঃমিঃ কালভাৰ্টৰ সৈতে | জি পি এছ<br>উত্তৰ২৪°৩০'২৩৫"<br>পূব৯২°৪২'৬৬৭"<br>উত্তৰ২৪°৩০'৮২৮"<br>পূব৯২°৪২'৯৮৫" | ১২,৫০,০০০.০০ টকা |
| ৩ | তিনিটা কুঁৱা | | ২,০০,০০০.০০ টকা |

Divisional Forest Officer
Hailakandi Division
Hailakandi

## ৮। জীৱিকা উন্নয়ন পৰিকল্পনা

গাঁৱৰ বাবে উপযুক্ত ক্ষুদ্ৰ পৰিকল্পনা তৈয়াৰ কৰাৰ লক্ষ্যৰে জে এফ এম চিৰ সদস্য আৰু আৰ জি ভি এনৰ সাহায্য তথা সমৰ্থনৰ ভিত্তিত বনগাঁও আৰু সীমান্ত গাঁওসমূহত কাৰ্যকৰীভাৱে পি আৰ এ অনুশীলন আৰু আৰ্থসামাজিক সমীক্ষা চলোৱা হয়। পি আৰ এ অনুশীলন আৰু দলীয় আলোচনাৰ মাধ্যমেৰে বিভিন্ন উপাৰ্জন বৃদ্ধিৰ কাম (আই জি এ) চিহ্নিত কৰা হয়। চিহ্নিত কৰা উপাৰ্জন বৃদ্ধিৰ গুৰুত্বপূৰ্ণ কাম-কাজসমূহ হ'ল ঃ মৎস্য উৎপাদন, শাক-পাচলিৰ খেতি, হাঁহ-মুৰ্গী পালন, দুগ্ধ উৎপাদন, মৌমাখি পালন, কাঠফুলাৰ খেতি, বিকেন্দ্ৰীভূত নাৰ্ছাৰী, চিলাই কাম, ক্ষুদ্ৰ হস্তশিল্প, মৰাপাটৰ হস্তশিল্প, বাঁহৰ হস্তশিল্প, মমবাতি উৎপাদন, ধূপকাঠি উৎপাদন, আচাৰ প্ৰস্তুত ইত্যাদি। এইসমূহ উৎপাদিত সামগ্ৰীক প্ৰক্ৰিয়াকৰণ, গ্ৰেডিং-পেকিং/বটলিং আৰু লেবেলিঙৰ জৰিয়তে পেছাদাৰী উপায়ে মূল্য সংযোজন কৰিব পাৰি। উপাৰ্জন বৃদ্ধিৰ কাম-কাজৰ বাবে প্ৰয়োজনীয় (উৎপাদনৰ উপাদান), সা-সঁজুলি, কেঁচামালো নিৰ্ধাৰণ কৰা হৈছে। জে এফ এম চিৰ পৰা উৎপাদন কৰা সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰী ব্যৱস্থাৰ বাবে এটি বিপণন কেন্দ্ৰ হিচাপে 'বন বজাৰ' স্থাপনৰ প্ৰস্তাৱো দিয়া হৈছে।

### ৮.১ স্থানাংক

**জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**

* কৃষি আৰু আনুষংগিক কাম-কাজ
* চিলাই
* পশুধন পালন
* এন টি এফ পি
* আচাৰ প্ৰস্তুতৰ দৰে ক্ষুদ্ৰ উদ্যোগ

### ৮.২ জীৱিকাৰ সুবিধা

**জীৱিকাৰ চিহ্নিত উপায়সমূহ তলত দিয়া ধৰণৰ ঃ**

* কৃষি আৰু আনুষংগিক কাম-কাজ
* চিলাই
* পশুধন পালন
* এন টি এফ পি
* আচাৰ প্ৰস্তুতৰ দৰে ক্ষুদ্ৰ উদ্যোগ

উপৰোক্ত বিষয় সম্পৰ্কে বিশদ আলোচনা তলত উল্লেখ কৰা হ'ল।

### ৮.৩ কৃষি আৰু উদ্যানশস্য

**প্ৰধান বাধাসমূহ ঃ**

ক) বানপানী

খ) শোচনীয় পথ যোগাযোগ আৰু বজাৰ সুবিধা

গ) পোক আৰু ৰোগৰ আক্ৰমণ

**সুবিধাসমূহ ঃ**

ক) জৈৱিক কৃষি

খ) কৃষিৰ বাণিজ্যিকীকৰণ

গ) কৃষি ভিত্তিক উদ্যোগ

৮.৪ **পশুধন**

**প্ৰধান বাধাসমূহ ঃ**

ক) ৰোগ

খ) পশু চিকিৎসা ব্যৱস্থাৰ অভাৱ

গ) পশুখাদ্য

**সুবিধাসমূহ ঃ**

ক) হাঁহ-কুকুৰা পালন

৮.৫ **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)**

**প্ৰধান বাধাসমূহ ঃ**

ক) পৰ্যাপ্ত এন টি এফ পিৰ অভাৱ

খ) এন টি এফ পিৰ ব্যৱহাৰৰ ওপৰত সম্প্ৰদায়ৰ জ্ঞানৰ অভাৱ

গ) উপলব্ধ এন টি এফ পিৰো যথোপযুক্ত ব্যৱহাৰ নোহোৱা

**সুবিধাসমূহ ঃ**

ক) বাণিজ্যিক প্ৰক্ৰিয়াকৰণ আৰু মূল্য সংযোজনৰ বাবে ফল-মূল আৰু ভেষজ উদ্ভিদসমূহ ব্যৱহাৰ কৰিব পৰা যায়

খ) এন টি এফ পিৰ সংৰক্ষণ আৰু বৈধ ব্যৱহাৰ সম্পৰ্কে সজাগতা

৮.৬ **বিশেষ দক্ষতা**

দক্ষতা উন্নয়নৰ ক্ষেত্ৰত প্ৰধান বাধাসমূহ হ'ল ঃ

ক) উপযুক্ত প্ৰশিক্ষণ আৰু তত্ত্বাৱধানৰ সুবিধাৰ অভাৱ

খ) নিৰক্ষৰতা

গ) কৃষিৰ বাবে আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলিৰ অভাৱ

**সুবিধাসমূহ**

ক) তৰুণ উদ্যোগী

খ) চিলাই আৰু এম্ব্ৰইডাৰী

গ) বয়ন

## ৮.৭ ঋণৰ সুবিধা

**প্ৰধান বাধাসমূহ ঃ**

ক) বেংক ঋণৰ সুবিধাৰ অভাৱ

খ) সুতৰ উচ্চ হাৰ

গ) ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু চৰকাৰী আঁচনি সম্পৰ্কে সজাগতাৰ অভাৱ

**সুবিধাসমূহ ঃ**

ক) আত্মসহায়ক গোট গঠনৰ প্ৰতি আগ্ৰহ সৃষ্টি

খ) ক্ষুদ্ৰ বিত্তীয় ব্যৱস্থা আৰু প্ৰতিষ্ঠান সম্পৰ্কে সজাগতা

গ) ঋণৰ বাবে চৰকাৰী আঁচনিৰে সংযোগ

## ৮.৮ কৌশলগত হস্তক্ষেপ

ওপৰত উল্লিখিত বিষয়সমূহৰ সাৰাংশ হিচাপে নিম্নোক্ত বিষয়সমূহক কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ

১) দক্ষতা উন্নয়ন

২) নাৰ্চাৰী প্ৰশিক্ষণ আৰু উন্নয়ন

৩) পশুধন

৪) কৃষি সম্প্ৰসাৰণ

## ৮.৯ উপাৰ্জন বৃদ্ধিৰ কাম-কাজ

গাঁৱত পৰিকল্পনা কৰা উপাৰ্জনৰ প্ৰধান উপায়সমূহ হ'ল ঃ

১) কৃষি আৰু আনুষংগিক কাম-কাজ

২) চিলাই

৩) বয়ন

৪) বাঁহ শিল্প

৫) হস্তশিল্প

## ৮.১০ আত্মসহায়ক গোটৰ কাম-কাজ

গাঁৱৰ আত্মসহায়ক গোটসমূহে নিম্নোক্ত কামসমূহ সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ

১) বয়ন

২) বাঁহ-বেতৰ শিল্প

৩) চিলাই আৰু বয়ন

## ৮.১১ শিক্ষামূলক ভ্ৰমণ (Exposure Trips)

শিক্ষামূলক ভ্ৰমণৰ বাবে তলত দিয়াৰ দৰে পৰিকল্পনা কৰা হৈছে—

১) উত্তৰ-পূব আৰু ভাৰতৰ অন্য ৰাজ্যৰ জে এফ এম চি/ই ডি চিৰ জীৱিকাৰ নিদৰ্শনমূলক কাৰ্যসূচীৰ পৰা শিক্ষালাভ

২) সৰস মেলাৰ দৰে বিভিন্ন মেলা আৰু প্ৰদৰ্শনী আৰু ট্ৰাইফেডৰ দ্বাৰা আয়োজিত বিভিন্ন মেলাত অংশগ্ৰহণ

৩) বাঁহৰ ব্যৱহাৰ আৰু বাঁহশিল্পৰ প্ৰশিক্ষণৰ বাবে ওচৰৰ দেশ ভ্ৰমণ

## ৮.১২ সংপৃক্তকৰণ

ওপৰৰ পৰামৰ্শমূলক কাৰ্যসূচীসমূহৰ সাৰাংশ কৰি জীৱিকা উন্নয়ন পৰিকল্পনাসমূহ কৌশলগত হস্তক্ষেপ হিচাপে উল্লেখ কৰিব পাৰি ঃ

১) কৃষি আৰু আনুষংগিক কাৰ্যকলাপ

২) চিলাই

৩) বয়ন

৪) বাঁহ শিল্প

৫) হস্তশিল্প

পৰিকল্পিত পদক্ষেপসমূহ ভাৰত চৰকাৰৰ তলত উল্লিখিত আঁচনিসমূহেৰে সংপৃক্ত কৰিব পাৰি ঃ

ক) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে

খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।

গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চয় যোজনা (Rashtriya Krishi Sinchay Yojana) — পানীৰ উৎস উন্নয়ন সহিতে জলসিঞ্চনৰ কাৰণে

ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)

ঙ) দক্ষতা বিকাশ যোজনা (Skills Development Schemes)

চ) প্ৰধান মন্ত্ৰী উজ্জ্বলা যোজনা (Prime Minister Ujjwala Yojana)

ছ) এন আৰ এল এম (NRLM)

জ) এন আৰ এইচ এম (NRHM)

ঝ) বাঁহ অভিযান (Bamboo Mission)

ঞ) গ্ৰাম্য উন্নয়ন আৰু জীৱিকাৰ বাবে সঠিক অন্য আঁচনি।

উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাক সহায় কৰাৰ লগতে ভৱিষ্যৎ প্ৰকল্পতো সহায় কৰিব।

## ৯। বৰথল জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনা

বৰথল জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনা অনুযায়ী গাঁও পৰ্যায়ৰ বিশদ পি আৰ এ অনুশীলনৰ পিছত এই বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। নিৰ্বাহক্ষম সংৰক্ষণ আৰু জৈৱ-বৈচিত্ৰ্য মূল্য, পাৰিপাৰ্শ্বিক কাম-কাজ, জে এফ এম চিৰ ওপৰত ন্যস্ত বনাঞ্চলৰ উৎপাদন সম্ভাৱনা আৰু ইয়াৰ নিকটৱৰ্তী গাঁৱৰ মানুহৰ উপভোগ আৰু জীৱিকাৰ চাহিদাসমূহ নিৰ্বাহক্ষম উপায়ে পূৰণ কৰাই হ'ল এই পৰিকল্পনাৰ উদ্দেশ্য।

এই ক্ষুদ্ৰ পৰিকল্পনাত বৰথল জে এফ এম চিৰ জে এফ এম চি বনাঞ্চলৰ নিম্নোক্ত বিষয়সমূহ বিবেচনাত ৰখা হৈছে ঃ

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ ওপৰত ন্যস্ত কৰা বনাঞ্চল এলেকা; আৰু

খ) ৰোপণ কৰা এলেকা/ৰোপণৰ বাবে নিৰ্ধাৰিত জনসাধাৰণৰ ভূমিসমূহ আৰু অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰৰ অন্যান্য ভূমি।

জে এফ এম চি বনাঞ্চলৰ উপৰোক্ত বিষয়সমূহ তলত সংক্ষিপ্তভাৱে আলোচনা কৰা হৈছে।

### ৯.১ বনাঞ্চল আৰু সেইসমূহৰ বৰ্তমান অৱস্থা

বৰথল জে এফ এম চিৰ বনাঞ্চলৰ ৰোপণ কৰা (অথবা ৰোপণৰ বাবে নিৰ্ধাৰিত) অন্যান্য এলেকাৰ অৱস্থা সংক্ষিপ্তভাৱে তলত দিয়া হ'ল।

**তালিকা- ১ ঃ বৰথল জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০%ৰো বেছি ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ/পি এফ<br>নাম ঃ কাটাখাল<br>লাট ঃ কুকিছেড়া<br>ভাগ ঃ | ৪৫০ | ০.৫০ৰ পৰা ১.৮০ | ভাল এলেকা ঃ ৪০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৯০ হেক্টৰ | ৯ মাহৰো বেছি |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| স্থান ঃ বৰুণছেড়া<br>বনাঞ্চলৰ ধৰণ ঃ অৰ্ধচিৰহৰিৎ<br>ভি এফ/অন্যান্য আৰ এফ | ১৮০ | ০.৫০ৰ পৰা ১.৮০ | ভাল এলেকা ঃ ১৮০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ — হেক্টৰ | |
| **মুঠ** | | | ভাল এলেকা ঃ ২২০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৯০ হেক্টৰ | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

ইয়াত দেখা গৈছে যে বৰথল জে এফ এম চিৰ বনভূমিৰ মুঠ ৪৫০ হেক্টৰ এলেকাৰ ২২০ হেক্টৰ (৪৯%) 'ভাল' (ক্ৰাউন ঘনত্ব >৪০%) আৰু বাকী ভূমি 'ক্ষতিগ্ৰস্ত'।

### ৯.১.১ বনাঞ্চলৰ মাটিৰ ধৰণ

বৰথল জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ ধৰণ বোকামিশ্ৰিত পলসুৱা ধৰণৰ। বনাঞ্চলৰ মাটিৰ কিছু বিশেষ দিশ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ২ ঃ বৰথল জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ ধৰণ**

| স্থিতি মাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | মধ্যম | গড় |
| ভূমি ক্ষয়ৰ অৱস্থা | শোচনীয় | নাই |
| উপস্থিতি ঃ | | |
| (ক) বালি | নাই | নাই |
| (খ) বোকামাটিৰে ঢকা | হয় | হয় |
| (গ) নতুনকৈ উৰ্বৰ ভূমি | — | — |
| (ঘ) বালিচাহি | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

বৰথল জে এফ এম চি বনাঞ্চলৰ মাটিৰ ধৰণৰ বিশেষ দিশসমূহ সংক্ষেপে তলত দিয়া হ'ল ঃ

ক) সমতল ভূমিৰ মাটি বোকাময়, বালিমিশ্ৰিত খাৰুৱা আৰু কিছু স্থান পলস পৰা । সংমণ্ডলটোৰ মধ্যাঞ্চলৰ সমতল ভূমি নিম্নৰ পৰা উচ্চলৈ আৰু উচ্চ টিলাসমূহৰ তুলনাত পৃথক।

### ৯.১.২ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

যিসমূহ উদ্ভিদৰ দ্বাৰা বৰ্তমান বৰথল বনাঞ্চল গঠিত সেইসমূহ তলত উল্লেখ কৰা হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে স্থানীয় বনাঞ্চলসমূহক অৰ্ধচিৰহৰিৎ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ বৰথল জে এফ এম চিৰ বৰ্তমান উদ্ভিদসমূহ**

| স্থতি মাপ | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| প্ৰধান প্ৰজাতি | বহৰা | টাৰ্মিনাল্লিসেবেল্লাৰিকা |
| | বজ্ৰং | জান্থয় লামবুড্ৰেঙ্গা |
| | বনক | শিমা খাসিয়ানা |
| | বন আম | ম্যাঙ্গিফেৰাসিলাৰকা |
| | বেলফাই/জলফাই | এলকোক্যাপ্ৰুয়েগ্লোৰিবুন্ডাম |
| | বান্দৰফেলা | ডাইসোঙ্গিলাম্বিন্নেক্টিফেৰাম |

| | | |
|---|---|---|
| | বান্দৰ লাঠি (সোণাঝুৰি) | লাসিয়া ফিস্টুলা |
| | বন শিমলু | ব্যাম্বোক্সিন সিগনক |
| | বৰুণ | ক্র্যাটায়েৰাৰেলিজিওসা |
| | বেল্লা | স্যাপিয়ামবাক্কাটাম |
| | ভাতকুৰ | ভিটেক্সহেটেৰোফিলিয়া |
| | ভোলা | মনস ল্যাক্রিগাটা |
| | ছাতিম | আলস্টোনিয়াস্কলাৰিস |
| সঙ্গভুক্ত | কালিগোড়া | ব্যাম্বুসাভালগার্স |
| | কাৰাইল | ডেন্ড্রাক্যালামুস্ট্রিক্টাম |
| | খাং | ডেন্ড্রোক্যালামুসলোঙ্গিস্প্যাথাস |
| গুল্ম | স্প্রিং ভ্যাচ | ভিসিয়াস্যাটিভা |
| | ছান হেম্প | ক্রোলাটাৰিয়াজুনসিয়া |
| | সৰ্পগন্ধা<br>আলোখনি | ৰাউউলফিয়া সার্পেন্টাইন<br>ক্যাসিয়াটোৰা |
| | সাধাৰণ নল খাগৰি ইকৰা | ফ্র্যাগমিটেস্কার্কা |
| ভেষজ উদ্ভিদ | চালমোগ্রা | হাইডনো কার্পাসকুর্জিল |
| | হৰতকি | টার্মিনালিয়াচেবুকা |
| উৎপাদন কৰা গাছ | গমাৰি | গ্মেলিনার্বোৰিয়া |
| | কদম | অ্যান্থোমেফালাসকদম্ব |
| | জাম | এঙ্গেনিয়া জাম্বোস |
| | নাগেশ্বৰ | মেসুয়াফেৰিয়া |
| | চাম | আর্টোকার্পাসচাপলাশা |
| | ঘোঁড়ানিম | |
| | ৰেইন ট্রি | |
| | পিং | |
| | মৰৈ | আলস্টোনিয়াস্কলাৰিস |

| | | |
|---|---|---|
| | ছাতিম | এলষ্ট’নিয়াস্কলাৰিচ |
| অন্যান্য, যদি আছে | কঁশ | সাচামপ্ৰসেৰাম |
| | খাগৰি | সাচামস্পন্টাৰকাম |
| | ইকৰা | এৰিযান্থাস ৰ্যাভেনিয়াক |
| | নল | ফ্ৰ্যাগমিটেস্কার্কা |
| | ৰেমা | থাইসানোলায়েনা ম্যাক্সিমা |
| | খড় | ইম্পেৰেটাআৰুন্ডিনাক্কা |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

## ৯.১.৩ অতীতত বনগাঁও ব্যৱস্থাপনা

বনাঞ্চল সুৰক্ষাৰ বাবে অতীতত বৰথল জে এফ এম চিৰ দ্বাৰা গৃহীত ব্যৱস্থাৱলীৰ ওপৰত তলত আলোচনা কৰা হৈছে।

ক) জড়িত পৰিয়ালৰ সংখ্যা ঃ ২৫টা

খ) জড়িত লোকৰ সংখ্যা ঃ ১৯৫জন

গ) গৃহীত ব্যৱস্থাৱলীৰ সাৰাংশ ঃ ২০১৫ চনত জে এফ এম চি গঠনৰ সময়ৰ পৰা বনাঞ্চল সুৰক্ষা সমিতি গঠন কৰি কাম আৰম্ভ কৰা হৈছে।

ঘ) কোনো ধৰণৰ আনুষ্ঠানিক ব্যৱস্থা ঃ হ্ৰস্বম্যাদী লাভৰ অন্তৰ্গত গাঁওবাসীৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ব্যৱস্থ্য ফলপ্ৰসূ হোৱা নাই। দেশৰ মূল্যবৃদ্ধি আৰু কৰ-কাটল ব্যৱস্থাৰ বাবে তেওঁলোক বিমৰ্ষিত। সেয়েহে জে এফ এম চিৰ সুৰক্ষা সমিতিৰ ওপৰত বন সুৰক্ষাৰ নিৰ্ভৰশীলতা পৰামৰ্শ দিব নোৱাৰি। বৰ্তমান, যিকোনো ব্যক্তিয়ে ৰাজ্যৰ কৰ-কাটল ব্যৱস্থাটো আৰু কল্যাণমূলক কাম-কাজৰ বিষয়ে বুজিবলৈ সক্ষম। সেয়েহে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোকসকল হতাশগ্ৰস্ত। ইয়াৰ উপৰি দেশপ্ৰেম শব্দটো বৰ্তমান মাত্ৰ আৱেগিক শব্দলৈহে ৰূপান্তৰিত হৈছে। বৰ্তমান মানুহে জীৱন আৰু প্ৰয়োজনীতা পূৰণতহে ব্যস্ত থাকিবলগা হয়। সেয়েহে কোনো আনুষ্ঠানিক ব্যৱস্থা গ্ৰহণ কৰাৰ ফলাফল শূন্য।

(**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যসকলৰ সৈতে আলোচনা)

### ৯.১.৪ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় মানুহৰ ঘৰুৱা চাহিদা পূৰণৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতা তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৪ (ক) ঃ বৰথল জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কেনেদৰে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | ৯০% | বছৰি ১.৮২৫ টন | নিকটৱৰ্তী অৰণ্য আৰু আৱাস সংলগ্ন বাৰী এলেকাৰ পৰা সংগ্ৰহ কৰা হয় | বেছিভাগেই সংৰক্ষিত বনাঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা হয় |
| ঘৰ নিৰ্মাণৰ বাবে কাঠ | ১০০% | ০.১০০ কিউম | নিকটৱৰ্তী অৰণ্যৰ পৰা সংগ্ৰহ কৰা হয় | সংৰক্ষিত বনাঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা হয় |
| ঘৰুৱা ব্যৱহাৰৰ বাবে সৰু কাঠ | ১০০% | ০.০৪১ কিউম | নিকটৱৰ্তী অৰণ্যৰ পৰা সংগ্ৰহ কৰা হয় | সংৰক্ষিত বনাঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা হয় |
| খুঁটি/বাঁহ | ১০০% | ৩৫ডাল | ,, | ,, |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১০০% | ৮.০০ কিঃগ্ৰাঃ | ,, | ,, |
| এন টি এফ পি | ১০০% | ৬.০০ কিঃগ্ৰাঃ | ,, | ,, |
| অন্যান্য গন্ধী, বাঁহৰ গাজ, বন আলু ইত্যাদি | | ২.০০ কুইন্টল | ,, | ,, |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ লোকসকলৰ সৈতে আলোচনা।

বৰথল জে এফ এম চিত মুঠ পৰিয়ালৰ সংখ্যা ২৭টা। ওপৰৰ তালিকাৰ তথ্য আৰু পৰিয়ালসমূহৰ এই সংখ্যাৰ হিচাবৰ ভিত্তিত বৰথল গাঁৱৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা তলত দিয়া ধৰণৰ ঃ

**তালিকা- ৪ (খ ) ঃ বৰথল জে এফ এম চিৰ পৰিয়ালসমূহৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃ গ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ৪০.১৫০৫ টন প্ৰতি বছ্ৰে | |
| ঘৰ নিৰ্মাণৰ বাবে কাঠ | ২.৫০ কিউম | |
| ঘৰুৱা ব্যৱহাৰৰ বাবে সৰু কাঠ | ১.০২৫ কিউম | |
| খুঁটি/বাঁহ | ৮৭৫ডাল | |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ২.০০ কুইণ্টল | |
| এন টি এফ পি | ১.৫০ কুইণ্টল | |
| অন্যান্য গন্ধী, বাঁহৰ গাজ, বন আলু, ছেকীয়া শাক ইত্যাদি | ৫০ কুইণ্টল | |

**উৎস ঃ** ওপৰৰ তালিকা ৪(ক) আৰু সম্প্ৰদায়ৰ তথ্যৰ পৰা মুঠ পৰিয়ালৰ সংখ্যা (*)= পৰিয়ালৰ গড় প্ৰয়োজনৰ আনুমানিক সংখ্যা (তালিকা ৪(ক)X২৫৪ পৰিয়াল।

**৯.১.৫ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন**

পৰিয়ালসমূহৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰী কৰিও সম্প্ৰদায়ৰ লোকসকল বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। বৰথল জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ৫ (ক) ঃ বৰথল জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু/মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ পৰিমাণ (কিঃগ্ৰাঃ) | |
| কাঠখৰি | ০ | ০ | ০ | ০ |
| ঘৰ নিৰ্মাণৰ বাবে কাঠ | ০ | ০ | ০ | ০ |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ০ | ০ | ০ | ০ |
| বাঁহ | ০ | ০ | ০ | ০ |
| খুঁটি | ০ | ০ | ০ | ০ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ০ | ০ | ০ | ০ |
| এন টি এফ পি (ঝাড়ু) | ডিচেম্বৰ/ জানুৱাৰী আৰু ফেব্ৰুৱাৰী | ১০ | ২.৫০০ কুইণ্টল | সংৰক্ষিত বনাঞ্চল এলেকা |
| অন্যান্য গন্ধী, বাঁহৰ গাজ | জুন, জুলাই | ১৫ | ৫ কুইণ্টল | সংৰক্ষিত বনাঞ্চল এলেকা |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা।

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ সৈতে সম্পৰ্কিত কিছু প্ৰাসঙ্গিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**

**বৰথল জে এফ এম চি**

| **বনজ উৎপাদনৰ নাম** | **উদ্বৃত্ত বিপণন (কিঃগ্ৰাঃ)** | **কেনেদৰে বিপণন কৰা হয়** | **বনজ উৎপাদন বিক্ৰীৰ জৰিয়তে প্ৰতিটো পৰিয়ালৰ গড় আয়** |
|---|---|---|---|
| কাঠখৰি | ০ | ০ | ০ |
| ঘৰ নিৰ্মাণৰ বাবে কাঠ | ০ | ০ | ০ |
| ঘৰুৱা ব্যৱহাৰৰ বাবে সৰু কাঠ | ০ | ০ | ০ |
| বাঁহ | ০ | ০ | ০ |
| খুঁটি | ০ | ০ | ০ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ০ | ০ | ০ |
| এন টি এফ পি | ২৫ কুইণ্টল | গাঁৱৰ বজাৰত বিক্ৰী | ১২০০.০০ টকা |
| অন্যান্য গন্ধী, বাঁহৰ গাজ, ঢেকীয়া শাক | ৭৫ কুইণ্টল | গাঁৱৰ বজাৰত বিক্ৰী | ১৫০০.০০ টকা |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ লোকসকলৰ সৈতে আলোচনা।

**৯.১.৬ ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে বনজ উৎপাদনৰ মুঠ চাহিদা**

পূৰ্বে উল্লেখ কৰা উপ-বিভাগসমূহৰ তথ্যৰ ভিত্তিত বৰথল জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৬ ঃ বৰথল জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃগ্ৰাঃ) তালিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)লৈকে | মুঠ চাহিদা (কিঃগ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | ৪৯.২৭৫ বাৰ্ষিক টন | ০ | বাৰ্ষিক ৪০.১৫০৫ টন |
| ঘৰ নিৰ্মাণৰ বাবে কাঠ | ৩.৫১ কিউম | ০ | ২.৫০ কিউম |
| ঘৰুৱা ব্যৱহাৰৰ বাবে সৰু কাঠ | ১.৩৭৭ কিউম | ০ | ১.০২৫ কিউম |
| বাঁহ | ৭৫০ডাল | ০ | ৭৫০ডাল |
| খুঁটি | ১২৫ডাল | ০ | ১২৫ডাল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ২.৭০ কুইণ্টল | ০ | ২.০০ কুইণ্টল |
| এন টি এফ পি | ১.৬২ কুইণ্টল | ২৫ কুইণ্টল | ২৬.৬২ কুইণ্টল |
| অন্যান্য গন্ধী, বাঁহৰ গাজ ইত্যাদি | ২৪৩ কুইণ্টল | ৭৫ কুইণ্টল | ৩১৮.০ কুইণ্টল |

**উৎস ঃ** পূৰ্বৱৰ্তী পৃষ্ঠাসমূহত দিয়া এই অধ্যায়ৰ তালিকা-৪ (খ) আৰু ৫ (খ)।

## ৯.২ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### ৯.২.১ সুৰক্ষাৰ সমস্যাসমূহ

বৰথল জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল।

**তালিকা- ৭ ঃ বৰথল জে এফ এম চিৰ সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসঙ্গিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চাৰণ-স্থানীয় পশু | হয় | হয় |
| চাৰণ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনীভাৱে কাঠ কটা | হয় | হয় |
| কাঠৰ চোৰাং কাৰবাৰ | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | নহয় | নহয় |
| বনভূমি বেদখল | হয় | হয় |
| অন্যান্য | - | - |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা।

এনেদৰে দেখা গৈছে যে বনাঞ্চল সুৰক্ষাৰ ক্ষেত্ৰত জে এফ এম চিৰ সন্মুখত দেখা দিয়া সমস্যাসমূহ তলত দিয়া ধৰণৰ—

ক) পোহনীয়া জন্তুৰ সমস্যা

খ) বেদখল

গ) বিভাগৰ কৰ্মচাৰীৰ সংখ্যা কম আৰু অবৈজ্ঞানিক শ্ৰম বিভাগ।

### ৯.২.২ বনাঞ্চল ধ্বংসৰ কাৰণসমূহ

বৰথল জে এফ এম চিৰ বন ধ্বংসৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল ঃ

ক) পোহনীয়া জন্তুৰ সমস্যা

খ) বেদখল

গ) সুৰক্ষা কৰ্তব্য পালনৰ বাবে আত্মোৎসৰ্গী কৰ্মীসকল এন আৰ চি, নিৰ্বাচনী দায়িত্বসহ বিভিন্ন তথ্য প্ৰদান, চিঠি-পত্ৰ আদান-প্ৰদান আৰু বিজ্ঞাপন কাৰ্যসূচীসমূহত গোটেই বছৰ ধৰি ব্যাপকভাৱে ব্যস্ত হৈ আছে। ইয়াৰ বাবে যথাযথভাৱে বন সুৰক্ষাৰ দায়িত্ব পালন ব্যাহত হৈছে। এইটোৱে হ'ল বন ধ্বংসৰ অন্যতম কাৰণ আৰু ফলাফল।

(**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা)

## ৯.৩ বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

বৰথল জে এফ এম চিৰ বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ প্ৰধান বিষয়সমূহ নিম্নোক্ত উপ-বিভাগত আলোচনা কৰা হৈছে । এইসমূহ হ'ল সুৰক্ষা পৰিকল্পনা, বনাঞ্চল উন্নয়ন (নিৰাময়), নাৰ্ছাৰী উন্নয়ন, ৰক্ষণাবেক্ষণ আৰু অন্যান্য কাম-কাজ।

### ৯.৩.১ সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনা তলত উল্লেখ কৰা হ'ল। বৰথল জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বাবে যি ব্যৱস্থাসমূহ আলোচনা কৰা হৈছে সেইসমূহ ইতিপূৰ্বে উপ-বিভাগ ৩.১ত আলোচনা কৰা হৈছে।

**তালিকা ৮ ঃ বৰথল জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰ'ফৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম /নিম্ন) |
|---|---|---|---|---|
| চাৰণ-স্থানীয় পশু | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | দিনৰ বেলা | উচ্চ |
| চাৰণ-অন্যান্য এলেকাৰ পশু | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | দিনৰ বেলা | মধ্যম |
| বেআইনীভাৱে কাঠ কটা | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | ২৪ ঘণ্টা | মধ্যম |
| কাঠ চোৰাং কাৰবাৰ | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | ২৪ ঘণ্টা | মধ্যম |

| | | | | |
|---|---|---|---|---|
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | ডিচেম্বৰ আৰু জানুৱাৰী | নিম্ন |
| বনাঞ্চলৰ ভূমি বেদখল | বৰথল জে এফ এম চি এলেকা | ৬০০ হেক্টৰ | দিনৰ বেলা | উচ্চ |
| অন্যান্য | নাই | নাই | - | - |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

এনেদৰে দেখা গ'ল যে বৰথল জে এফ এম চি বনাঞ্চল এলাকাত নিম্নোক্ত নিৰাময়মূলক কামসমূহক উচ্চ-মধ্যম অগ্ৰাধিকাৰসহ প্ৰস্তাৱ কৰা হৈছে ঃ

ক) বেদখলকাৰীসকলক উচ্ছেদ কৰাৰ বাবে অভিযান।

খ) ভাবুকিপূৰ্ণ অঞ্চলসমূহত নিয়মীয়া টহলৰ ব্যৱস্থা

গ) ৰাজহ ভূমি ৰক্ষাৰ লক্ষ্যৰে সংৰক্ষিত বনাঞ্চলৰ সীমাৰ ১৫ মিটাৰ দূৰে দূৰে স্তম্ভ স্থাপন।

ঘ) জে এফ এম চিৰ বন সুৰক্ষা সম্প্ৰদায়ৰ কাৰ্যকলাপ উপযুক্তভাৱে সক্ৰিয় কৰাৰ প্ৰয়োজন।

## ৯.৩.২ প্ৰস্তাৱিত কাম-কাজৰ ধৰণসমূহ

বৰথল জে এফ এম চিৰ জে এফ এম সি বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত ব্যৱস্থাসমূহৰ ধৰণ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ বৰথল জে এফ এম চিৰ প্ৰস্তাৱিত কামসমূহৰ ধৰণ**

| **নিৰাময় ব্যৱস্থা** | **প্ৰয়োজনীয় (হয়/নহয়)** | **জে এফ এম চিৰ দায়িত্ব (হয়/নহয়)** | **মাহ/বছৰ যেতিয়া কৰিব পাৰি** | **নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ)** |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | হয় | হয় | নৱেম্বৰ পৰা জানুৱাৰী পৰ্যন্ত অগ্ৰিম কাম/ফেব্ৰুৱাৰীৰ পৰা এপ্ৰিল পৰ্যন্ত বন সৃষ্টি আৰু তাৰ পিছৰ মাহসমূহৰ পৰা তত্ত্বাৱধান আৰম্ভ কৰা | ২০ হেক্টৰ ভূমিত ২ আৰু ৩ হেক্টৰ খণ্ডত কৃত্ৰিমভাৱে স্থানীয় প্ৰজাতিৰ পুনৰুজ্জীৱিতকৰণ আৰু ক্ষতিগ্ৰস্ত এলেকাত পৰ্যাপ্ত নহয়। বৰং এই ধৰণৰ ক্ষতিগ্ৰস্ত বনাঞ্চলত প্ৰস্তাৱিত ১০ বা ২০ হেক্টৰ খণ্ড হিচাপে গছ ৰোপণ কৰিব লাগিব আৰু ইয়াক শূন্য বুলি গণ্য কৰিব লাগিব |

| | | | | |
|---|---|---|---|---|
| কটা গছৰ মূঢ়া সুৰক্ষা | হয় | হয় | বছৰৰ প্ৰতি মাহে | নিয়মিত পৰ্যবেক্ষণ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ দ্বাৰা ২০০ হেক্টৰ বন এলেকা |
| জলাবিভাজিকাৰ নিৰাময় | নহয় | নহয় | — | — |
| জলাধাৰ | নহয় | নহয় | — | — |
| ঘাঁহ-বন নিৰণি | নহয় | নহয় | — | — |
| বাঁহ ৰোপণ | নহয় | নহয় | — | — |
| বীজ সিঁচা | নহয় | নহয় | — | — |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | হয় | হয় | বছৰৰ প্ৰতি মাহে | বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ দ্বাৰা ২০০ হেক্টৰ বন এলেকা নিয়মিত পৰ্যবেক্ষণ |
| ডাল কটা আৰু নিৰাময় | নহয় | নহয় | — | — |
| বেৰ নিৰ্মাণ | হয় | হয় | গোটেই বছৰ ধৰি | নতুন কৰি সৃষ্ট বন এলেকা ৫ হেক্টৰ |
| সামাজিক বেৰ | নহয় | হয় | গোটেই বছৰ ধৰি | |
| অন্যান্য কাম-কাজ | নহয় | নহয় | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

এনেদৰে দেখা গ'ল যে বৰথল জে এফ এম চিৰ বনাঞ্চল এলেকাত নিম্নোক্ত নিৰাময়মূলক কামসমূহৰ প্ৰস্তাৱ কৰা হৈছে ঃ

ক) জে এফ এম চি এলেকাৰ ২০ হেক্টৰ ভূমিত ২ বা ৩ হেক্টৰত কৃত্ৰিমভাৱে স্থানীয় প্ৰজাতিৰ পুনঃসৃজন।

**৯.৩.৩ বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম আৰু বন সৃজন**

উপৰোক্ত বিষয়ৰ সৈতে সংশ্লিষ্ট প্ৰাসঙ্গিক বিষয়সমূহ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ১০ ঃ বৰথল জে এফ এম চিৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| নিৰাময় ব্যৱস্থা | ৰোপণৰ বাবে নিৰ্ধাৰিত হেক্টৰ হিচাপে এলেকা | খণ্ড ৰোপণৰ বাবে অগ্ৰাধিকাৰ | প্ৰজাতি | স্থান ব্যৱধান মিটাৰ × মিটাৰ) |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ২ হেক্টৰ | শূন্য | চেগুণ, গমাৰি চেছিয়াচাম, ৰাতা, জাম ইত্যাদি | |

| | | | | |
|---|---|---|---|---|
| খণ্ড ৰোপণ<br>নিম, আমলখি, মহুৱা, বহৰাৰ বীজ সিঁচা (ভেষজ উদ্ভিদ) | | | | |
| সমৃদ্ধকৰণ ৰোপণ | | | | |
| পোনপটীয়া ৰোপণ | ২ হেক্টৰ | | চেগুণ, গমাৰি, চেছিয়াচাম, ৰাতা, জাম ইত্যাদি | ২×২ |
| অন্যান্য | | | | |
| মুঠ এলেকা (হেক্টৰ হিচাপে) | | | | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

### ৯.৪ বনাঞ্চল উন্নয়ন— বাৰ্ষিক লক্ষ্য

উপৰোক্ত বিষয়ৰ সৈতে সংশ্লিষ্ট ১০ বছৰৰ বাবে নিৰ্ধাৰিত বাৰ্ষিক লক্ষ্য তলৰ তালিকাত দিয়া হল।

**তালিকা- ১০ (ক) ঃ বৰথল জে এফ এম চিৰ বনাঞ্চল উন্নয়নৰ বাৰ্ষিক লক্ষ্য (১ বছৰৰ পৰা ৫ বছৰ)**

| **নিৰাময় ব্যৱস্থা** | **২০১৬** | **২০১৭** | **২০১৮** | **২০১৯** | **২০20** |
|---|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীবিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ |
| খণ্ড ৰোপণ | | | | | |
| নিম, আমলখি, মহুৱা, বহৰাৰ বীজ সিঁচা (ভেষজ উদ্ভিদ) | | | | | |
| সমৃদ্ধকৰণ ৰোপণ | | | | | |
| পোনপটীয়া ৰোপণ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ |
| বন-বাত নিৰণি | | | | | |
| মধ্যকালীন কাম-কাজ | | | | | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

**তালিকা- ১০ (খ) ঃ বৰথল জে এফ এম চিৰ বনাঞ্চল**

**উন্নয়নৰ বাৰ্ষিক লক্ষ্য (৬ষ্ঠ বছৰৰ পৰা ১০ম বছৰ)**

| **নিৰাময় ব্যৱস্থা** | **২০২১** | **২০২২** | **২০২৩** | **২০২৪** | **২০২৫** |
|---|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ |
| খণ্ড ৰোপণ | | | | | |
| নিম, আমলখি, মহুৱা, বহৰাৰ বীজ সিঁচা (ভেষজ উদ্ভিদ) | | | | | |
| সমৃদ্ধকৰণ ৰোপণ | | | | | |
| পোনপটীয়া ৰোপণ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ | ২ হেক্টৰ |
| বন-বাত নিৰ্ণি | | | | | |
| মধ্যকালীন কাম-কাজ | | | | | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

### ৯.৪.১ নাৰ্ছাৰী উন্নয়ন পৰিকল্পনা

বৰথল জে এফ এম চিৰ নাৰ্ছাৰী উন্নয়ন পৰিকল্পনা নিম্নোক্ত ধৰণৰ নাৰ্ছাৰীসমূহৰ ওপৰত নিৰ্ভৰশীল ঃ

ক) জে এফ এম চি নাৰ্ছাৰী (বিভাগীয় নাৰ্ছাৰীসহ)

খ) অন্যান্য নাৰ্ছাৰী— আত্মসহায়ক গোট আৰু ব্যক্তিগত

বিশদ বিৱৰণ তলত উল্লেখ কৰা হ'ল।

**জে এফ এম চি নাৰ্ছাৰী**

বৰথল জে এফ এম চিৰ নাৰ্ছআৰীসমূহৰ বিৱৰণ তলৰ তালিকাত দিয়া হ'ল। এই তালিকাত জে এফ এম চিৰ কামত জড়িত বিভাগীয় নাৰ্ছাৰীসমূহকো অন্তৰ্ভুক্ত কৰা হৈছে।

**তালিকা- ১১ (ক) ঃ বৰথল জে এফ এম চিৰ জে এফ এম চি নাৰ্ছাৰী**

| **নাৰ্ছাৰীৰ নাম** | **প্ৰজাতি** | **উন্নয়নৰ বছৰ** | **পুলিৰ সংখ্যা** | **মন্তব্য** |
|---|---|---|---|---|
| নাই | নাই | নাই | নাই | নাই |

**অন্যান্য নাৰ্চ্াৰী**

বৰথল জে এফ এম চিৰ নিকটৱৰ্তী এলেকাত অন্যান্য নাৰ্চ্াৰীৰ বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ১১ (খ) ঃ বৰথল জে এফ এম চিৰ নিকটৱৰ্তী অন্যান্য নাৰ্চ্াৰী**

| নাৰ্চ্াৰীৰ অৱস্থিতি | প্ৰজাতি | উন্নয়নৰ বছৰ | পুলিৰ সংখ্যা | মন্তব্য |
|---|---|---|---|---|
| বৰথল | ঘোঁৰানিম, জাম, হাতকোৰ, চাম, সুন্দি, ছাতিম, ভাত, পমা, ৰাতা, আম, কঁঠাল, ৰেইন ট্ৰী, হৰতকি, আমলখি, কৃষ্ণচূড়া, মজ, বহৰা, গমাৰি, চেছিয়াচাম ইত্যাদি | ২০১৫-১৬ | ১,০০,০০০ | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

### ৯.৪.২ ৰক্ষণাবেক্ষণ পৰিকল্পনা— ১০ বছৰ

বৰথল জে এফ এম চিত ৰোপিত উদ্ভিদসমূহৰ ৰক্ষণাবেক্ষণৰ পৰিকল্পনা তলত দিয়া হ'ল। ইয়াৰ বাবে ১০ বছৰ সময় ধাৰ্য কৰা হৈছে।

ক) **গছৰ প্ৰজাতি ঃ** চেগুণ, গমাৰি, চেছিয়াচাম, ঘোঁৰানিম, জাম, হাতকৰ, চাম, সুন্দি, ছাতিম, ভাত, পমা, ৰাতা, আম, কঁঠাল, ৰেইন ট্ৰী, হৰতকি, আমলখি, কৃষ্ণচূড়া, মজ, বহৰা ইত্যাদি।

**তালিকা- ১২ (ক) ঃ বৰথল জে এফ এম চিত ৰোপণ কৰা উদ্ভিদসমূহৰ পুলি ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময়মূলক ব্যৱস্থা |
|---|---|
| ২০১৬-১৭ | শূন্য |
| ২০১৭-১৮ | শূন্য |
| ২০১৮-১৯ | শূন্য |
| ২০১৯-২০ | শূন্য |
| ২০২১-২২ | শূন্য |
| ২০২২-২৩ | শূন্য |
| ২০২৩-২৪ | শূন্য |
| ২০২৪-২৫ | শূন্য |
| ২০২৫-২৬ | শূন্য |
| ২০২৬-২৭ | শূন্য |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

গ) বাঁহ

**তালিকা- ১২ (খ) ঃ বৰথল জে এফ এম চিত ৰোপণ কৰা বাঁহৰ পুলি ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময়মূলক ব্যৱস্থা |
|---|---|
| | বৰথল জে এফ এম চিত বাঁহ ৰোপণ কৰা হোৱা নাই। ফলত ৰক্ষণাবেক্ষণ পৰিকল্পনাৰ কোনো প্ৰশ্ন নাই। |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

### গ) কাঠখৰিৰ গছ ৰোপণ

**তালিকা- ১২ (গ) ঃ বৰথল জে এফ এম চিত কাঠখৰি ৰোপণৰ বাবে ৰোপিত গছৰ ৰক্ষণাবেক্ষণ পৰিকল্পনা**

| বছৰ | নিৰাময়মূলক ব্যৱস্থা |
|---|---|
| ২০১৬-১৭ | নিৰ্ধাৰিত বছৰৰ বাবে প্ৰকল্পৰ বিধি অনুযায়ী |
